www.newsnextone.com
ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, OCTOBER 07, 2024 ■ সোমবাৰ।। ২০ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭৫ Guwahati, Assam ।। মূল্যঃ এটকা

## ভাৰতলৈ মালদ্বীপৰ ৰাষ্ট্ৰপতি

**নতুন দিল্লী, ৬ অক্টোবৰঃ** চীনৰ ঘনিষ্ঠ তথা ভাৰত বিৰোধী বুলি খ্যাত মালদ্বীপৰ ৰাষ্ট্ৰপতি ২ পৃষ্ঠাত চাওক





ডিব্ৰুগড়ৰ মাইজান মথলাত লুইতৰ বুকুত এনেদৰেই জাহ গৈছে ভূমিপুত্ৰৰ ঘৰ-দুৱাৰ, খহনীয়া প্ৰবল হৈ পৰাত আপোন ঘৰখন এৰি নিৰাপদ স্থানৰ সন্ধান একাংশৰ

## মাইজানত এসপ্তাহতে গৃহহাৰা ৫০টাকৈ পৰিয়াল, নিৰ্বিকাৰ চৰকাৰ-প্ৰশাসন

# সোণোৱালৰ গৃহ জিলাত লুইতত হেৰাল থলুৱাৰ ঘৰ-মাটি



**ই-সংবাদ, চাবুৱা, ৬ অক্টোবৰঃ** জাতি, মাটি, ভেটি ৰক্ষাৰ কথা কোৱা বিজেপি চৰকাৰৰ দিনতে ডিব্ৰুগড় চহৰৰ পৰা কেইফাৰ্লংমান আঁতৰত মাটি-ভেটি হেৰুৱাই নীৰৱে উচুপিবলৈ বাধ্য হৈ পৰিছে শতাধিক শেষাংশ ৫ পৃষ্ঠাত

## নিৰ্দোষী! ৯জন সন্দেহযুক্তক এৰি দিলে 'নিয়া'ই দিল্লীলৈ উভতিল আয়ুবিক লৈ

**ই-সংবাদ, ৬ অক্টোবৰঃ** ২০২৬ চনৰ নিৰ্বাচনত পুনৰ একেকেইটা বিষয়ক লৈ বিজেপি দলে নিৰ্বাচনত নামিবলৈ সাজু হৈছে। সেই কথাকে স্পষ্ট কৰি শেষাংশ ৪ পৃষ্ঠাত

### সংবাদমেলত ভূপেন বৰাই ক'লে

## জেজেএম মানে জয়ন্তৰ জেপত মানী!




**ই-সংবাদ, ৬ অক্টোবৰঃ** জল জীৱন মিছনক ধন জীৱনলৈ পৰিণত কৰা মুখ্যমন্ত্ৰীৰ সাহস থাকিলে এই হাজাৰ হাজাৰ কোটি টকীয়া কেলেংকাৰীৰ এটা চিবিআই তদন্ত কৰক। চৰকাৰে চিবিআই তদন্তৰ ব্যৱস্থা নকৰিলে কংগ্ৰেছ শেষাংশ ৪ পৃষ্ঠাত

## নিযুত মইনাক অযুত সপোন দেখুৱাই একাউণ্টত মুখ্যমন্ত্ৰীয়ে দিলে ধন

**ই-সংবাদ, ৬ অক্টোবৰঃ** ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অভিভাৱকৰ ভোট নিশ্চিত কৰিবলৈ ছাত্ৰীৰ বাবে ৰূপায়ণ কৰা



'নিযুত মইনা আঁচনি' আজি উদ্বোধন কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। বিজেপি দল তথা চৰকাৰৰ শেষাংশ ৩ পৃষ্ঠাত

### এডিআৰই পৰীক্ষা

## মুখ্যমন্ত্ৰীৰ বিশেষ ঘোষণা

**ই-সংবাদ, ৬ অক্টোবৰঃ** অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা চমুকৈ এডিআৰইৰ তৃতীয় বৰ্গৰ পৰীক্ষাত অৱতীৰ্ণ শেষাংশ ৫ পৃষ্ঠাত

## মলয়ক অসম তৃণমূলৰ দায়িত্ব

**ই-সংবাদ, ৬ অক্টোবৰঃ** অসমত ৰাজনীতি কৰিবলৈ উদগ্ৰীৱ যদিও তৃণমূল কংগ্ৰেছত অসমীয়া ভাষা ক'ব পৰা নেতাৰ অভাৱ। বাংলাভাষী নেতাৰে শেষাংশ ৩ পৃষ্ঠাত

### বিত্তীয় সংকটৰ সংজ্ঞা কি?

## কংগ্ৰেছ দলক চিএমৰ প্ৰত্যাহ্বান

**ই-সংবাদ, ৬ অক্টোবৰঃ** বিত্তীয় সংকট প্ৰসংগত কংগ্ৰেছক ওভটি ধৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মাধ্যমৰ আগত আজি মুখ্যমন্ত্ৰীগৰাকীয়ে শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ দলক চিএমৰ প্ৰত্যাহ্বান

কংগ্ৰেছ তথা বিৰোধীক প্ৰশ্ন কৰি কয়, "কংগ্ৰেছে মোক বুজাই দিয়ক। বিত্তীয় সংকট হৈছে ক'ত। দৰমহা পাই আছে, অৰুণোদয় আঁচনি ধন পাই আছে, ফ্লাই অভাৰ নিৰ্মাণ হৈ আছে, মথাউৰি নিৰ্মাণ হৈ আছে।" ৰাজ্যৰ ৰাজকোষ উদং হোৱা বুলি অসম প্ৰদেশ কংগ্ৰেছে দাবী কৰি থকাৰ সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক এনেদৰে আক্ৰমণ কৰে। সাংবাদিকৰে মুখামুখি হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছে বিত্তীয় সংকট হোৱা বুলি উত্থাপন কৰি অহা দাবীৰ প্ৰত্যুত্তৰ দি কয় যে আৰ্থিক সংকটৰ মাজতো অৰুণোদয়ৰ ধন মানুহে পাই আছে। এক তাৰিখে দৰমহা পাই আছে। ফ্লাই অভাৰ-মথাউৰি নিৰ্মাণ হৈ আছে। আৰ্থিক সংকটৰ সংজ্ঞাটো কি সেইটো কংগ্ৰেছে মোক বুজাই দিয়ক। লগতে মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক প্ৰত্যাহ্বান জনাই কয় যে পূজা সমিতিয়ে কাইলৈ পইচা পাব। বিহু সমিতিয়ে পইচা পাই আহিছে। ভাওনা কৰিলেও পইচা পায়। ক'ত আৰ্থিক সংকট আছে মোক দেখাই দিয়ক। অসম চৰকাৰে ঋণ লৈ ইতিহাস সৃষ্টি কৰা বুলি উত্থাপিত অভিযোগৰ প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰীয়ে আৰু কয় যে কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ চৰকাৰতকৈ অসমৰ ঋণ আটাইতকৈ কম। ঋণ এনেয়ে ল'ব নোৱাৰি। ঘৰুৱা আয় ৩.৫ শতাংশ হ'লেহে ঋণ ল'ব পাৰি। অসম ঋণ লোৱা ৰাজ্যসমূহৰ আটাইতকৈ তলত। কংগ্ৰেছ শাসিত ৰাজ্যসমূহ ঋণ লোৱা তালিকাৰ ওপৰত আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে, বিত্তীয় সংকটৰ বাতৰি প্ৰকাশ কৰা সন্দৰ্ভত একাংশ সংবাদ মাধ্যমকো আজি আক্ৰমণৰ লক্ষ্য কৰি লয় মুখ্যমন্ত্ৰীগৰাকীয়ে। এনেধৰণৰ কথা বাতৰি হ'ব পাৰে নেকি বুলিও সংবাদ মাধ্যমক উদ্দেশ্যি প্ৰশ্ন কৰে মুখ্যমন্ত্ৰীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতলৈ মালদ্বীপৰ ৰাষ্ট্ৰপতি

মহম্মদ মুইজুৱে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ ভাৰতলৈ আহিছে। দেওবাৰে আবেলি দিল্লী বিমানবন্দৰত সপত্নী মুইজু অৱতৰণ কৰে। ১০ অক্টোবৰলৈকে ভাৰতত থাকিব মুইজু। চাৰিদিনীয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। যোৱা চাৰি মাহৰ ভিতৰত এয়া মইজুৰ দ্বিতীয় ভাৰত ভ্ৰমণ। পূৰ্বে জুন মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপত গ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছিল। মালদ্বীপৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণৰ সময়ত কি আলোচনা হ'ব সেই বিষয়ক কূটনৈতিক কৌতূহলৰ সৃষ্টি হৈছে। বিশেষকৈ যোৱা বছৰ মালদ্বীপত মুইজু ক্ষমতালৈ অহাৰ পিছতে ভাৰত বিৰোধী কাণ্ড সংঘটিত হৈছিল। চীনৰ ঘনিষ্ঠ হোৱাৰ অভিযোগ উঠিছিল। মালদ্বীপৰ নিৰ্বাচনত ভাৰতৰ বিৰুদ্ধে প্ৰচাৰ চলাইছিল। ক্ষমতালৈ অহাৰ পিছতে প্ৰথমে চীন ভ্ৰমণ কৰিছিল। মুইজুৰ চৰকাৰ শাসনলৈ অহাৰ পিছৰে পৰা কেইবাটাও বিতৰ্ক হয়। যিটোৱে ভাৰতৰ জনসাধাৰণৰ মনত বেয়া প্ৰভাৱ পেলাইছিল। মুইজুৰ মন্ত্ৰীসকলে প্ৰধানমন্ত্ৰী মোদীয়ে লক্ষদ্বীপ ভ্ৰমণৰ সময়ত অপমানজনক মন্তব্য কৰিছিল। বহু সংখ্যক ভাৰতীয় পৰ্যটকে ছ'চিয়েল মিডিয়াত মালদ্বীপ বৰ্জনৰ আহ্বান জনাইছিল। অভিনয় জগতৰ বহুতো ব্যক্তিত্বেও সমৰ্থন কৰিছিল। সেই সময়ত ভাৰতৰ পৰ্যটকসকলে মালদ্বীপলৈ শ শ টিকট বাতিল কৰিছিল। পৰ্যটন হৈছে মালদ্বীপৰ অৰ্থনীতিৰ অন্যতম আধাৰশিলা ভাৰতীয় পৰ্যটকসকলে বৰ্জন কৰাত দ্বীপৰাষ্ট্ৰখন যথেষ্ট সমস্যাত পৰে। ইয়াৰ মাজতে মালদ্বীপ চৰকাৰেও মালদ্বীপৰ পৰা ভাৰতীয় সেনা প্ৰত্যাহাৰ কৰিবলৈ কয়। মালদ্বীপে শেহতীয়াকৈ ভাৰতৰ সৈতে সম্পৰ্ক মসৃণ কৰাৰ চেষ্টা কৰিছে। মোদীৰ শপত গ্ৰহণ অনুষ্ঠানত মুইজুৱে প্ৰধানমন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰিছিল। মালদ্বীপৰ পৰ্যটন মন্ত্ৰী ইব্ৰাহিম ফৈজালে শেহতীয়াকৈ ভাৰত ভ্ৰমণ কৰিছিল। ভাৰতীয় পৰ্যটকসকলক দেশখন ভ্ৰমণ কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ বাবে মালদ্বীপত এটা ৰোড শ্ব' অনুষ্ঠিত কৰিছিল।

---

## মাহৰ পিছত মাহ ধৰি আদায় দিয়া নাই প্ৰাপ্য ধন

# শিৱসাগৰত খিলঞ্জীয়া ঠিকাদাৰক প্ৰৱঞ্চনা বহিৰাগত সুভাষ আগৰৱালাৰ

**ই-সংবাদ, শিৱসাগৰ, ৬ অক্টোবৰঃ** শিৱসাগৰত বহিৰাগত পুঁজিপতি তথা ব্যৱসায়ীৰ উপদ্ৰৱ বৃদ্ধি হোৱা বুলি চৰ্চা চলি থকাৰ সময়তে এইবাৰ থলুৱা অসমীয়া ঠিকাদাৰক এগৰাকী বহিৰাগত ব্যৱসায়ী, ঠিকাদাৰে চৰম প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপিত হৈছে। দুলীয়াজানৰ এগৰাকী থলুৱা ঠিকাদাৰক বিভিন্ন সময়ত বিতৰ্কৰ আৱৰ্তত সোমাই অহা শিৱসাগৰ ষ্টেশ্যন চাৰিআলিৰ সমীপৰ নিবাসী সুভাষ আগৰৱালা নামৰ বিয়াগোম ঠিকাদাৰগৰাকীয়ে দুলীয়াজানৰ বিষ্ণু কোঁৱৰ নামৰ ব্যৱসায়ীজনক প্ৰৱঞ্চনা কৰাৰ অভিযোগ তুলিছে। বিষ্ণু কোঁৱৰে উল্লেখ কৰা অনুসৰি অইল, অ'এনজিচিৰ কেতবোৰ প্ৰকল্পৰ নিবিদাৰ কামো কৰি আহিছে সুভাষ আগৰৱালাৰ প্ৰতিষ্ঠানে। তেওঁৰে প্ৰকল্পত উপ-ঠিকাদাৰ হিচাপে কাম কৰিছিল বিষ্ণু কোঁৱৰে। বিষ্ণু কোঁৱৰৰ আছে জিআৰপি অইল ফিল্ড চাৰ্ভিচ নামৰ এখন ফাৰ্ম। বিষ্ণু কোঁৱৰে সুভাষ আগৰৱালাৰ প্ৰতিষ্ঠানত মানৱ সম্পদ তথা শ্ৰমিক যোগান, শ্ৰমিকৰ থকা-খোৱা, গাড়ী যোগানৰ কাম কৰিছিল। কিন্তু পৰিতাপৰ বিষয় যে সুভাষ আগৰৱালাই সময়মতে বিষ্ণু কোঁৱৰ আৰু তেওঁৰ সহযোগীক প্ৰাপ্য ধন আদায় নিদি প্ৰৱঞ্চনা কৰিছে। বিষ্ণু কোঁৱৰে কৰা অভিযোগ অনুসৰি সুভাষ আগৰৱালাই এক কোটি টকাৰো অধিক টকা আদায় দিয়া নাই। আজি দিম, কাইলৈ দিমকৈ মাহৰ পিছত মাহ ধৰি প্ৰাপ্য ধন আদায় নিদিয়াত বাৰুকৈয়ে বিপাঙত পৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিষ্ণু কোঁৱৰে। আনকি সুভাষ আগৰৱালাৰ শিৱসাগৰ চহৰৰ ষ্টেশ্যন চাৰিআলিস্থিত কাৰ্যালয়লৈ আলোচনাৰ বাবে মাতি কেইবাবাৰো অন্তৰ্ধান হোৱাত খালী হাতে উভতি যাবলগীয়া হোৱা বুলি অভিযোগ তুলিছে কোঁৱৰে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত বিষ্ণু কোঁৱৰে মুখ খোলাৰ লগতে শিৱসাগৰ সদৰ আৰক্ষীকো মৌখিকভাৱে অৱগত কৰিছে। যদিহে অচিৰেই প্ৰাপ্য আদায় নিদিয়ে তেন্তে আইনৰ কাষ চাপিব বুলিও জনাইছে কোঁৱৰে। আনহাতে সুভাষ আগৰৱালাই প্ৰাপ্য আদায় নিদিয়াত শ্ৰমিকসকলক মজুৰি দিয়াত গুৰুতৰ সমস্যাই দেখা দিয়া বুলিও অভিযোগ কৰিছে বিষ্ণু কোঁৱৰে। এগৰাকী খিলঞ্জীয়া ঠিকাদাৰক প্ৰাপ্য আদায় নিদি বিপদৰ মুখলৈ ঠেলি দিয়া কাৰ্যক সহজভাৱে ল'ব পৰা নাই একাংশ জাতীয় সংগঠনে। উল্লেখ্য যে, যোৱা ২৯ মে'ত সুভাষ আগৰৱালাৰ শিৱসাগৰ চহৰত থকা কাৰ্যালয়ৰ গ্লাছ ভাঙি কাৰ্যালয়ৰ পৰাই এগৰাকী গাণনিকক বলপূৰ্বকভাৱে এটা চক্ৰই গাড়ীত তুলি নিয়া ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছিল। দীপ নামৰ গাণনিকজনক পিছত চূণপোৰা লৈ নি এৰি দিছিল। পৰৱৰ্তী পৰ্যায়ত আৰক্ষীয়ে সদৰি কৰা অনুসৰি কোনো ব্যৱসায়ীক প্ৰাপ্য ধন আদায় নিদিয়া, ব্যৱসায়িক লেনদেনত হোৱা সংঘাতৰ বাবেই এনে অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। থলুৱাৰ মূৰত কঁঠাল ভাঙি খোৱা এই বহিৰাগত পুঁজিপতিগৰাকীয়ে বিভিন্ন সময়ত উপ-ঠিকাদাৰ, শ্ৰমিকক সময়মতে প্ৰাপ্য আদায় নিদি নিজেই বিলাসী জীৱন কটাই আহিছে বুলিও প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে শিৱসাগৰৰ একাংশ স্থানীয় ৰাইজে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নিযুত মইনাক অযুত সপোন

অভিলাষী ‘নিযুত মইনা আঁচনি’ উদ্বোধন কৰাৰ পাছতে ছাত্ৰীৰ একাউন্টত প্ৰথম কিস্তিৰ ধন সোমাব। আজি ৰাজ্য চৰকাৰে মহানগৰীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ পথাৰত আঁচনি মুকলি কৰিবলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰথম কিস্তিৰ ধন মুকলি কৰে। আজি ১,৫৯,০৯৩ ছাত্ৰীক এককালীন আৰ্থিক সাহায্য বিতৰণ কৰে মুখ্যমন্ত্ৰীয়ে। উচ্চ শিক্ষাৰ ৫৭,৬৩৫ গৰাকী আৰু মাধ্যমিক শিক্ষাৰ ১,০১,৪৫৮ গৰাকী ছাত্ৰীক প্ৰদান কৰা হয় অনুদান। মুখ্যমন্ত্ৰীয়ে বাল্যবিবাহ ৰোধ কৰিবলৈ আৰু নাৰী শিক্ষাক জোৰ দি এই কাৰ্যসূচী ঘোষণা কৰিছিল। কেতিয়াবা কেতিয়াবা পৰিয়ালৰ তাগিদাত কম বয়সত বিয়াত বহিবলগীয়া হয় একোগৰাকী অধ্যয়নৰত ছাত্ৰী। শেহতীয়াকৈ বিগত দুটা বছৰত ৰাজ্য চৰকাৰে বাল্যবিবাহ ৰোধ কৰিবলৈ বহু পদক্ষেপ লৈছে। বাল্যবিবাহ কৰোৱা পুৰুষক গ্ৰেপ্তাৰ কৰি জেল হাজোতত ভৰাই শাস্তি দিবলৈ গোচৰ চলাইছে। তাৰ লগতে অধ্যয়নৰত ছাত্ৰীক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে এই আঁচনি ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰিছিল। ঘোষণা অনুসৰি ছাত্ৰীক উচ্চ শিক্ষা গ্ৰহণত সহায় কৰাৰ লক্ষ্যৰে আজি নিযুত মাইনা আঁচনি মুকলি কৰা হয়। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীত আৰু প্ৰতিগৰাকী মন্ত্ৰীয়ে কেইবাখনো জিলাত আৰু অন্যান্য জিলা প্ৰশাসনে নিজ নিজ জিলাত আজি একেই অনুষ্ঠানৰ আয়োজন কৰে। জিলা সদৰত আয়োজন কৰা অনুষ্ঠানৰ জৰিয়তে জিলাসমূহৰ ছাত্ৰীক সাহায্যৰ প্ৰথম কিস্তি প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীয়ে আঁচনি মুকলি কৰি কয় যে নিযুত মইনা আঁচনিৰ দ্বাৰা ১০ লক্ষ ছাত্ৰীৰ শিক্ষাগ্ৰহণ উজু হৈ পৰিব। এক তথ্য দাখিল কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে স্নাতকোত্তৰত নামভৰ্তি কৰা ৩০ শতাংশ ছাত্ৰীয়ে পাছলৈ শিক্ষা গ্ৰহণ কৰিবলৈ এৰি দিয়ে। বহু ছোৱালীয়ে বিয়াত বহে। আমাৰ চৰকাৰে ছাত্ৰীসকলক ডিগ্ৰী সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিয়াত নবহিবৰ বাবে আৰ্থিক অনুদান আগবঢ়াছে। অসমততে ছাত্ৰীৰ বিনামূলীয়া নামভৰ্তিৰ সুবিধা দিয়া হৈছে। যাৰ বাবে এতিয়া শিক্ষানুষ্ঠানত নামভৰ্তিৰ সংখ্যা বৃদ্ধি হৈছে। লগতে হিমন্ত বিশ্ব শৰ্মাই কয় যে মাহৰ ১১ তাৰিখে ১১ বজাত নিযুত মইনা আঁচনিৰ ধন একাউণ্টত সোমাব। মহাবিদ্যালয়ে অভিযোগ নিদিয়া ছাত্ৰীয়েহে ধন লাভ কৰিব। প্ৰথম ষান্মাষিকত উত্তীৰ্ণ হৈ দ্বিতীয় ষান্মাষিকত নামভৰ্তি নকৰিলে এই ধন নাপাব। ১২ মাহৰ ভিতৰত ১০ মাহ ধন প্ৰদান কৰা হ’ব। যদি পঢ়ি থকা অৱস্থাতে বিয়া হয় তেন্তে এই ধন দিয়া বন্ধ কৰি দিব। মুখ্যমন্ত্ৰীয়ে ল’ৰাসকলে বাবে একো আঁচনি ৰূপায়ণ নকৰাৰ অভিযোগ সন্দৰ্ভত প্ৰতিক্ৰিয়া দি কয় যে নতুন বাজেটত ল’ৰাৰ বাবেও আঁচনি অনা হ’ব। উল্লেখ্য যে, এই আঁচনিৰ প্ৰথম কিস্তিৰ ধন দিয়াত ২৪০ কোটি টকা টকা খৰছ কৰা হৈছে। ব্যক্তিগত শিক্ষানুষ্ঠানক বাদ দি চৰকাৰী শিক্ষানুষ্ঠানৰ উচ্চতৰ মাধ্যমিকত অধ্যয়নৰত ছাত্ৰীয়ে মাহেকত এক হাজাৰ, স্নাতকত অধ্যয়নৰত ছাত্ৰীয়ে মাহেকত ১,২৫০ টকাকৈ লাভ কৰিব। বিশ্ববিদ্যালয়ত অধ্যয়নৰত কৰি থকা ছাত্ৰী ২,৫০০ টকাকৈ লাভ কৰিব। স্নাতকোত্তৰৰ বিবাহিতা ছাত্ৰীকো দিব আঁচনিৰ ধন। আজিৰ অনুষ্ঠানত শিক্ষামন্ত্ৰীয়ে কয়, ‘পৰৱৰ্তী তিনি বছৰত ১ নিযুত অৰ্থাৎ ১০ লাখ গৰাকী কন্যাক এই আঁচনিখনৰ অধীনত সামৰি লোৱা হ’ব।’

প্ৰথম পৃষ্ঠাৰ পৰা...

# মলয়ক অসম তৃণমূলৰ দায়িত্ব

গিজগিজাই আছে যদিও বঙালী নেতাক শীৰ্ষ নেতৃত্ব দিব খোজা নাই দলটোৱে। কেৱল বৰাকৰ নেতাৰে সমগ্ৰ অসমত নতুন ৰূপত ৰাজনীতি কৰিবলৈ মন মেলা মমতা বেনাৰ্জীৰ দলে অসমত সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ উঠি-পৰি লাগিছে। বিগত প্ৰায় এটা পষেকে অসম তৃণমূল কংগ্ৰেছৰ সভাপতি দিবলৈ নেতা বিচাৰি নাপাই অৱশেষত পশ্চিমবংগৰ মন্ত্ৰীক তত্বাৱধায়ক নিয়োগ কৰিছে সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছে। পশ্চিমবংগৰ আইন মন্ত্ৰী মলয় ঘটকক অসম তৃণমূলৰ দায়িত্ব দিয়া হৈছে। দেওবাৰে অল ইণ্ডিয়া তৃণমূল কংগ্ৰেছে জাৰি কৰা এক প্ৰেছ বিবৃতিত এই ঘোষণা কৰা হৈছে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ অনুপ্ৰেৰণা আৰু নিৰ্দেশনাত আইন মন্ত্ৰী মলয় ঘটকক অসম ৰাজ্যিক তৃণমূলৰ দায়িত্ব দিয়া বুলি জানিব পৰা গৈছে। ইপিনে এমাহ পূৰ্বে প্ৰদেশ সভাপতিৰ দায়িত্ব এৰাৰ লগতে দলো ত্যাগ কৰে ৰিপুণ বৰাই। বৰ্তমান নেতৃত্বহীন হৈ থকা দলটোৰ অসম প্ৰদেশ সমিতিৰ তত্বাৱধায়কৰ দায়িত্ব দিয়া হৈছে মলয় ঘটকক। লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰিপুণ বৰাৰ নেতৃত্বত অসমত সংগঠন শক্তিশালী কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছিল দলটোৱে। কিন্তু ফলাফল শূন্য। এজনো প্ৰাৰ্থীয়ে ৫ হাজাৰতকৈ বেছি ভোট লাভ নকৰিলে। সন্তোষ মোহন দেৱৰ কন্যা সুস্মিতা দেৱক ৰাজ্যসভালৈ প্ৰেৰণ কৰা হৈছে পশ্চিমবংগৰ পৰা। ৰিপুণ বৰা সুস্মিতাৰ জৰিয়তে টিএমচিলৈ গৈছিল। লোকসভা নিৰ্বাচনত দলটোৱে অসমত চাৰিখন আসনত প্ৰতিদ্বন্দিতা কৰিছিল যদিও শিলচৰ, লখিমপুৰ, বৰপেটা আৰু কোকৰাঝাৰ কেউটা সমষ্টিতে শোচনীয় পৰাজয়ৰ সন্মুখীন হয়। লোকসভা নিৰ্বাচনৰ পিছতে ৰিপুণ বৰাই যোৱা ১ ছেপ্টেম্বৰত অসম টিএমচিৰ সভাপতি পদ আৰু দল ত্যাগ কৰে। তেতিয়াৰ পৰা অসম টিএমচিৰ সভাপতিৰ পদ খালী হৈ আছে। এইবাৰ বংগৰ পৰা এজন নেতা পঠিয়াই তৃণমূলে অসমত সংগঠন শক্তিশালী কৰিব বিচাৰিছে। ইফালে দায়িত্ব লাভ কৰাৰ পিছতে মলয়ে কয় যে দলে মোক যি দায়িত্ব দিয়ে, মই সেই দায়িত্ব পালন কৰিবই লাগিব।

# কোকৰাঝাৰত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ চেক বিতৰণ অনুষ্ঠান সম্পন্ন

## জিলাখনত উপকৃত হ’ব ৫ হাজাৰতকৈ অধিক ছাত্ৰীঃ লৰেন্স

**ই-সংবাদ, কোকৰাঝাৰ, ৬ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে কোকৰাঝাৰ জিলাতো আজি মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত চেক বিতৰণ অনুষ্ঠান সম্পন্ন হয়। কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ত নিযুত মইনা আঁচনিৰ চেক বিতৰণী অনুষ্ঠানৰ শুভাৰম্ভ কৰে কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে। তেওঁ নিযুত মইনা আঁচনিৰ অধীনত ৮০১ গৰাকী ছাত্ৰীক চেক প্ৰদান কৰে। ইয়াৰ পিছতে বডোফা সাংস্কৃতিক প্ৰকল্পত আয়োজিত হোৱা নিযুত মইনা আঁচনিৰ চেক বিতৰণী অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য উকিল মুছাহাৰী আৰু কোকৰাঝাৰ জিলা আয়ুক্ত মাচন্দা পাৰ্টিনৰ উপস্থিতিত ১,১৩৩ গৰাকী হিতাধিকাৰীক চেক বিতৰণ কৰা হয়। আনহাতে বড়োলেণ্ড বিশ্ববিদ্যালয়ত আয়োজন কৰা অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য উইলছন হাছদা, উপাচাৰ্য বি এল আহুজা, পঞ্জীয়ক ডঃ এছ বসুমতাৰী, ৰাজহ চক্ৰ বিষয়া ঋতুপৰ্ণা দাস উপস্থিত থাকি নিযুত মইনা আঁচনিৰ চেক বিতৰণ কৰে। ইপিনে নিযুত মইনা আঁচনিৰ চেক বিতৰণ কৰি বিধায়ক লৰেন্স ইছলাৰীয়ে কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১,৫৯,০৯৩ গৰাকী ছাত্ৰী পোনপটীয়াকৈ উপকৃত হ’ব আৰু কোকৰাঝাৰ জিলাৰ মুঠ ৫ হাজাৰতকৈ অধিক ছাত্ৰী ইয়াৰ দ্বাৰা লাভান্বিত হ’ব। এই আঁচনিখনে অসমত নাৰী শিক্ষাৰ ক্ষেত্ৰত এক নতুন জাগৰণ আনিবলৈ সমৰ্থ হ’ব আৰু পৰৱৰ্তী প্ৰজন্মৰ যুৱতীসকলক শক্তিশালী কৰিব বুলি মন্তব্য কৰে বিধায়ক লৰেন্স ইছলাৰীয়ে। আঁচনিখনক এখন অভিলাষী আঁচনিও আখ্যা দিয়ে ইছলাৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেজেএম মানে জয়ন্তৰ জেপত

চিবিআইৰ ওচৰলৈ গৈ 'জল জীৱন মিছন'ৰ নামত ৰাইজক কৰা প্ৰতাৰণাৰ তদন্ত কৰাবলৈ বাধ্য হ'ব। আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই এখন সংবাদমেলৰ জৰিয়তে এই দাবী কৰিছে। সংবাদমেলত ভূপেন কুমাৰ বৰাই আৰু কয় যে মানুহৰ ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগানৰ নামত যি আঁচনি কেন্দ্ৰীয় চৰকাৰে আনিছিল এতিয়া সেয়া প্ৰহসনত পৰিণত হ'ল। এতিয়া গাঁৱে গাঁৱে জল নাই কেৱল নলহে আছে। এই বৃহৎ কেলেংকাৰীৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক সকীয়নি দিবলগীয়া হৈছে। ইয়াতকৈ লজ্জাজনক কথা আৰু একো নাই। কেন্দ্ৰীয় চৰকাৰে জল জীৱন মিছন আঁচনি ৰূপায়ণৰ বাবে যি পুঁজি দিছিল সেই পুঁজি বৰ্তমান বন্ধ কৰি দিছে। মিছন সঞ্চালকৰ এখন পত্ৰই এই কথা প্ৰমাণ কৰিছে যে জল জীৱনৰ নামত নিম্নমানৰ কাম কৰা হৈছে। মিছনৰ কামৰ পৰ্যালোচনা কৰিবলৈ যি সমিতি গঠন কৰা হৈছিল সেই সমিতিয়ে তদাৰকত গাফিলতি কৰাৰ লগতে ঠিকাদাৰৰ স্বাৰ্থত কাম কৰি ভুল প্ৰতিবেদন দাখিল কৰিছে। বৰাই আৰু কয় যে ৮ শতাংশৰ পৰা ১৫ শতাংশলৈ কমিছন লৈ মন্ত্ৰী জয়ন্তমল্লই পকেট গৰম কৰিছিল। বাজপেয়ী ভৱনত প্ৰতিটো কামৰ বিপৰীতে ২ শতাংশ কমিছন আদায় দিবলগীয়া হোৱাৰ কথা বহু ঠিকাদাৰে জনাইছে বুলিও বৰাই কয়। সেইবাবে গাঁৱত এতিয়া জলজীৱন মিছনৰ নাম এতিয়া মানুহে 'জয়ন্তৰ জেপত মানি' বুলি ক'বলৈ আৰম্ভ কৰা বুলি কয় কংগ্ৰেছ সভাপতি বৰাই। বৰাই কয়, "২০২১-২২ বৰ্ষত অসমত আৰম্ভ হোৱা জল জীৱন মিছন আঁচনিখন অসমত আৰম্ভ হোৱা সময়ত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই উদাত্ত কণ্ঠৰে কৈছিল, হৰ ঘৰ নল, হৰ ঘৰ জল। কিন্তু এতিয়া অসমৰ ক্ষেত্ৰত শ্লʼগানটো হʼলগৈ, চাৰিওফালে নলেই নল, কিন্তু কʼতো নাই জল।" আঁচনিখনত হোৱা কেলেংকাৰীৰ বাবে এতিয়া অসমৰ ৬৩ লাখ ৬৫ হাজাৰ পৰিয়াল বিশুদ্ধ খোৱা পানী লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। সংবাদমেলত সভাপতি বৰাই জল জীৱন মিছনৰ সঞ্চালক তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সচিব কৈলাশ কাৰ্তিকে বিভাগটোৰ মুখ্য অভিযন্তা, অতিৰিক্ত মুখ্য অভিযন্তা, কাৰ্যবাহী অভিযন্তাসকললৈ জল জীৱন আঁচনিৰ কাম বন্ধ কৰাৰ নিৰ্দেশ দি প্ৰেৰণ কৰা পত্ৰখনৰ প্ৰতিটো বাক্যতে আঁচনিখনত হোৱা অনিয়ম স্পষ্ট হৈ আছে বুলিও কয়। পত্ৰখনত অত্যন্ত বিসংগতিপূৰ্ণ আৰু নিম্ন মানদণ্ডৰ সামগ্ৰীৰে জল জীৱনৰ মিছনৰ কামবোৰ সম্পাদন কৰাৰ লগতে আঁচনিখনৰ প্ৰাককলন (ডিপিআৰ)ৰ কাঠামো সলনি কৰি নিম্ন মানদণ্ডৰ কাম কৰাৰ কথা উল্লেখ থকাটোও সংবাদমেলত সদৰী কৰে বৰাই। আঁচনিখনৰ নামত ঠিকাদাৰসকলৰ পৰা লোৱা কমিছন মুখ্যমন্ত্ৰীৰ হাতলৈ যদি যোৱা নাই তেন্তে নিজকে ধোৱা তুলসীৰ পাত সজোৱা মুখ্যমন্ত্ৰীক জল জীৱন মিছনৰ অনিয়মৰ তদন্তৰ ভাৰ চিবিআইৰ হাতত অৰ্পণ কৰিবলৈকো দাবী জনায় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। "আঁচনিখন ভাল আছিল। কাৰণ বিশুদ্ধ খোৱাপানীৰ অভাৱৰ ফলতে ৬০ শতাংশ বেমাৰ হয়। এতিয়া মাত্ৰ ১০.৭৫ শতাংশ লোকেহে আঁচনিখনৰ পৰা পানী পাই আছে। কংগ্ৰেছৰ দিনৰে পৰা এই সকল লোকে পানী পাই আছিল। বাকী ৰৈ যোৱাসকলক বিজেপিয়ে পানী দিয়াৰ দায়িত্ব লৈছিল। বাটে বাটে ছাইন বৰ্ড লগাইছিল পানী দিব বুলি। পিছে এতিয়া মানুহে খাবলৈ পানী পোৱা নাই। লগতে ঠিকাদাৰসকল এতিয়া বিপাঙত পৰিছে।"- থলগিৰিৰ ঠিকাদাৰসকলৰ পৰা কমিছন খাই হিমন্ত চৰকাৰে গা এৰা দিয়া বুলিও সংবাদমেলত অভিযোগ কৰে বৰাই। আনহাতে পইছা পেলাই থলে কণী নাপাৰে বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰো প্ৰত্যুত্তৰ দিয়ে ভূপেন বৰাই। তেওঁ কয়, "পইছা পেলাই থলে কণী নাপাৰে বুলি কৈ আপুনি নিজৰ ব্যৰ্থতা স্বীকাৰ কৰিছে। আপুনি মানি লৈছে যে বিভিন্ন আৱণ্টিত পুঁজিৰ সদব্যৱহাৰ কৰিবলৈ চৰকাৰী যি নিয়ন্ত্ৰণ লাগে সেয়া আপোনাৰ চৰকাৰৰ নাই। সেয়ে পইছা ব্যৱহাৰ নোহোৱাকৈ ৰৈ গৈছে আৰু কামবোৰ আধৰুৱা হৈ পৰি ৰৈছে।" আজিৰ সংবাদমেলত বৰাই বিভাগীয় মন্ত্ৰীক তদন্ত সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বৰ্খাস্ত কৰিবলৈকো দাবী জনায়। লগতে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত সকলোতে কেৱল কমিছনৰ অংক চলিছে বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্দোষী! ৯জন সন্দেহযুক্তক এৰি

মুখ্যমন্ত্ৰীৰ মুখত বাৰে বাৰে উচ্চাৰিত হ'বলৈ আৰম্ভ কৰিছে জেহাদী, মিঞা, তেওঁলোক মানে মুছলমান, হিন্দুৰ সুৰক্ষা আদিৰ দৰে কথা। শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ মুখত পূৰ্বতকৈয়ো অধিক শক্তিশালী ৰূপত শুনা গৈছে জেহাদীৰ কথা। হোজাইত সন্দেহজনক লোকক ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ নিয়াই জিম্মাত লোৱাৰ পাছৰে পৰা মুখ্যমন্ত্ৰীয়ে কচুতলীৰ উচ্ছেদৰ সৈতে ধৰ্ম বিশেষক সংযোগ কৰি মন্তব্য প্ৰদান কৰিবলৈ আৰম্ভ কৰিছে। তাৰ মাজতে এদিন পূৰ্বে গোৱালপাৰাৰ কেইবাটাও এলেকাত অভিযান চলাই নিয়া আৰু অসম আৰক্ষীৰ এছটিএফে সন্দেহজনক ৯ জন লোকক আটক কৰিছিল। নিয়াই ৯ জনক আটক কৰাৰ পাছতে মুখ্যমন্ত্ৰীৰ মন্তব্যৰ তীব্ৰতা দুগুণ গতিত বৃদ্ধি পায়। মুখ্যমন্ত্ৰীয়ে এই বিষয়টোক লৈ পোনেপোনে ৰাজনীতি কৰাৰ সময়তে গোৱালপাৰাৰ ৯জনকৈ লোকক 'নিয়া'ই আজি মোকলাই দি ঘৰলৈ যাবলৈ দিয়া বুলি জানিব পৰা গৈছে। হোজাই আৰু গোৱালপাৰাত নিয়া আৰু অসম আৰক্ষীৰ এছটিএফে ১০জন লোকক আটক কৰা বুলি জানিব পৰা গৈছিল। শনিবাৰে আটক কৰি নিয়াই মাৰাথন জেৰা চলোৱাৰ অন্তত দুজন গাৰো সম্প্ৰদায়ৰ লোকসহ ৯ জন লোকক মুকলি কৰি দিয়ে। ইয়াৰে এজন মাথো লোকক 'নিয়া'ই দিল্লীলৈ লৈ যোৱা বুলি জানিব পৰা গৈছে। শেখ চুলতান আলাউদ্দিন আয়ুবিক গোৱালপাৰা আদালতত হাজিৰ কৰাই জিম্মাত লয় নিয়াই। প্ৰকাশিত খবৰ মতে, শেখ চুলতান আলাউদ্দিন আয়ুবিয়ে বেংকৰ চিএছপি চলাই। সেই চিএছপিৰ পৰা আটকাধীন লোককেইজনে ধন উলিয়াইছিল। সেই সন্দেহতে লোককেইজনক সোধ-পোছ কৰি পাছত মুকলি কৰি দিয়া হয়। নিষিদ্ধ জৈছ-ই-মহম্মদ নামৰ ইছলামিক সংগঠনৰ সৈতে শেখ চুলতান আলাউদ্দিন আয়ুবিৰ যোগাযোগ থকাৰ সন্দেহ কৰা হৈছে। মৌলবাদী শেখ চুলতান আলাউদ্দিন আয়ুবিৰ মাদ্ৰাছা লিংক পোহৰলৈ আহিছে বুলিও খবৰ প্ৰকাশ পাইছে। গোৱালপাৰাৰ জামিয়া আশ্ৰাফুল উলুম নামৰ মাদ্ৰাছাৰ অধ্যক্ষ পদতো থকা শেখ চুলতান আলাউদ্দিন আয়ুবিৰ বেংক একাউণ্টত বুজন পৰিমাণৰ ধনৰ লেন-দেনৰ তথ্য ওলাইছে। এই তথ্য পৰীক্ষা কৰাৰ অন্তত উক্ত ধন জৈছ-ঈ-মহম্মদে যোগান ধৰিব পাৰে বুলিও সন্দেহ কৰা হৈছে। আলাউদ্দিন আয়ুবিয়ে ক'ৰ পৰা কেনেকৈ ধন লাভ কৰিলে সেই তথ্য এই পৰ্যন্ত অসম আৰক্ষী বা নিয়াই ৰাজহুৱা কৰা নাই। উল্লেখ্য যে, হোজাই জিলাৰ ডবকাৰ পৰা প্ৰথমে গ্ৰেপ্তাৰ কৰা হৈছিল ৰহমত আলীক। ৰহমত আলীৰ স্বীকাৰোক্তিৰ ভিত্তিত গোৱালপাৰা জিলাত অভিযান চলাইছিল। লগতে দেশজুৰি নিয়াই ইছলামিক মৌলবাদীৰ বিৰুদ্ধে অভিযান চলাইছিল। এই অভিযানত সমগ্ৰ দেশজুৰি যেনে দিল্লী, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, জম্মু-কাশ্মীৰত অভিযান চলাই সফলতা লাভ কৰে। এই অভিযানত ৫ জন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ভিতৰত আছিল আলাউদ্দিন আয়ুবি। তাৰ পাছতে নিয়াৰ দল অসমত উপস্থিত হৈ হোজাই আৰু গোৱালপাৰাত অভিযান চলায়। এই অভিযানত অসমত জৈছ-ঈ-মহম্মদৰ তৎপৰতাৰ তথ্য লাভ কৰে। ডবকাৰ নাহৰগাঁৱৰ ৰহমত আলীক গ্ৰেপ্তাৰৰ পাছতে সবিশেষ পোহৰলৈ আহে। পেছাত ট্ৰাক চালক ৰহমত আলীৰ ঘৰ গোৱালপাৰাৰ টুকুৰাত। ট্ৰাক লৈ তেওঁ ডবকা পোৱাৰ সময়তে হোজাই আৰক্ষীয়ে আটক কৰিছিল। আজি ৰহমতক মোকলাই দিছে নে নাই সেয়া জানিব পৰা হোৱা নাই। উল্লেখ্য যে, বাংলাদেশত শেখ হাছিনা চৰকাৰৰ পতনৰ পিছতে অসত তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত জেহাদী সংগঠনসমূহে পুনৰ মূৰ দাঙি উঠিব পাৰে বুলি চৰ্চা চলিছিল। লগতে একাধিক চোৰাংচোৱা সূত্ৰৰ পৰাও তেনে খবৰ লাভ কৰিছিল আৰক্ষী-প্ৰশাসনে। তেনে খবৰৰ ভিত্তিতে দেশৰ ভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ নিয়াই শনিবাৰে অভিযান চলাইছিল। অসমতো সেই অভিযানৰ অংশ হিচাপে চলোৱা অভিযানত কালিৰ দিনটোত ১০জনকৈ লোকক আটক কৰা হৈছিল। কিন্তু আজি ৯ জন লোকক কোনো তথ্য-প্ৰমাণ নোপোৱাত এৰি দিয়া ঘটনাক লৈ গোৱালপাৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিজেপি চৰকাৰৰ হিন্দুত্ববাদী ৰাজনীতিৰ স্বাৰ্থতেই কেৱল সন্দেহৰ ভিত্তিতে নিয়াই একাংশ লোকক জেহাদী সজাবলৈ যত্নপৰ হৈছে বুলিও ভিন্ন মহলে অভিযোগ উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণোৱালৰ গৃহ জিলাত লুইতত

পৰিয়াল। এই শতাধিক পৰিয়ালৰ সদস্যসকলৰ অন্তৰে হাহাকাৰ কৰি উঠিছে। বাৰে বাৰে তেওঁলোকক শোকে খুন্দা মাৰি ধৰিছে। চকু, মুখত দুৰ্ভাৱনাৰ চিন স্পষ্ট। নিশা ক'ত কটাব তাৰ কোনো নিশ্চয়তা নাই। সন্তানক ৰাখিব ক'ত, খুৱাব কি? তাৰো নিশ্চয়তা নাই। কিয়নো তেওঁলোকে নিজ হাতেৰে আটোমটোকাৰীকৈ গঢ়া ঘৰখন ভাঙি পেলাবলগীয়া হৈছে। ঘৰখন ভাঙি টিনপাত, বাঁহৰ টুকুৰা নিজ হাতেৰে সুৰক্ষিত স্থানলৈ কঢ়িয়াই নিছে। এইসকল লোকক চৰকাৰে উচ্ছেদ কৰা নাই। কিন্তু চৰকাৰৰ গাফিলতি আৰু অৱহেলাৰ বাবে নিজ হাতেৰে গঢ়া ঘৰখন ভাঙি পেলাবলগীয়া হৈছে। যিসকলে নিজ হাতেৰে এপদ এপদকৈ সামগ্ৰী গোটাই ঘৰখন সাজিছিল, সেইসকলেই এতিয়া থলুৱা প্ৰেমী বুলি কৈ অহা বিজেপি চৰকাৰৰ অৱহেলাৰ বাবে ঘৰখন ভাঙি পেলাবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। নৈপৰীয়া এই অঞ্চলটোত এতিয়া মানুহৰ জীৱন-সম্পত্তিৰ সুৰক্ষা নোহোৱা হৈছে। এই ঠাইখিনি আছে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গৃহ জিলাত। এই ঠাইখিনিত নদীৰ বুকুত জাহ গৈছে সৰ্বানন্দ সোণোৱালে প্ৰতিটো ভাষণতে কৈ অহা ভূমিপুত্ৰসকলৰ ঘৰ-দুৱাৰ । ইটোৰ পাছত সিটো ঘৰ নদীৰ বুকুত জাহ যোৱাত মানুহে ঘৰ ভাঙি পলায়ন কৰিবলৈ বাধ্য হৈ পৰিছে। বিগত তিনি দিন ধৰি বহু পৰিয়ালে আপোন ঘৰখন ভাঙি থকাৰ দৃশ্য দেখি বাটৰুৱাইয়ো নীৰৱে চকুলো টুকিছে। নদীৰ পাৰৰ পৰা কিছু দূৰত মুকলি আকাশৰ তলত টিনপাত, খাদ্য-সামগ্ৰী মজুত কৰি হাহাকাৰ কৰিছে প্ৰায় কুৰিটা খিলঞ্জীয়া পৰিয়ালে। এই লোকসকলৰ দুখ-দুৰ্দশা, অভাৱ-অভিযোগৰ প্ৰতি ৰাজ্য চৰকাৰে যেনেদৰে গুৰুত্ব দিব লাগিছিল তেনেদৰে আজিলৈ গুৰুত্ব প্ৰদান নকৰিলে বুলি অভিযোগ উত্থাপিত হৈছে। ডিব্ৰুগড় জিলাৰ নগাঘুলিৰ পৰা ডিব্ৰুগড় চহৰলৈ খহনীয়া অব্যাহত আছে। প্ৰতিবছৰৰ দৰেই এইবেলিও খৰালিৰ পূৰ্বেই বহু পৰিয়ালৰ ঘৰ-দুৱাৰ জাহ গৈছে। বিগত এসপ্তাহ ধৰি প্ৰায় ১৫০ মিটাৰ এলেকা ব্ৰহ্মপুত্ৰত সম্পূৰ্ণৰূপে জাহ গৈছে। কিন্তু গৃহ জিলা হোৱাৰ পাছতো কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সাৰ পোৱা নাই বুলি অভিযোগ তুলিছে ৰাইজে। শেহতীয়াকৈ ডিব্ৰুগড়ৰ মাইজান মথলাত কুৰিটা পৰিয়ালৰ বাসগৃহ লুইতৰ বুকুত জাহ গৈছে। ঘৰ-মাটি হেৰুৱাই অসহায় হৈ পৰা অঞ্চলবাসীয়ে আজি জলসম্পদ বিভাগ, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিধায়ক প্ৰশান্ত ফুকনৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। বাৰে বাৰে খবৰ দিয়াৰ পাছতো এইসকল জনপ্ৰিনিধিয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ আনি প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় লোকসকলে। প্ৰতিবাদকাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, স্থানীয় বিধায়ক প্ৰশান্ত ফুকন, পীয়ুষ হাজৰিকাক ধিক্কাৰ দিয়ে। জনগণে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি কয় যে মাইজান আৰু মথলা চাহ বাগিচাৰ এনে অৱস্থা এদিনতে হোৱা নাই। প্ৰতিবছৰে বাসিন্দাসকলৰ ঘৰ-দুৱাৰ উটুৱাই নি আহিছে। প্ৰতিবছৰে আমি তেওঁলোকে এই বিষয়ে জনপ্ৰনিধিক অৱগত কৰি আহিছে যদিও আজিলৈ গুৰুত্ব নিদিলে। স্থানীয় এগৰাকী ব্যক্তিয়ে অভিযোগ তুলি কয়, "আগতে আমাৰ জিলাৰ পৰাই অসমৰ মুখ্যমন্ত্ৰী আছিল। এতিয়া কেন্দ্ৰীয় মন্ত্ৰী আছে। অসমৰ মন্ত্ৰী আৰু বিধায়ক আছে। কিন্তু আমাৰ সমস্যাৰ কথা জনাই থকাৰ পিছতো গুৰুত্ব প্ৰদান নকৰিলে। জনপ্ৰতিনিধিসকলে চোৰ গলে বুদ্ধি, বৰষুণ গ'লে জাপিৰ দৰে কাণ্ড কৰিছে। যাৰ বাবে ৰাইজে আজি নিজ হাতেৰে গঢ়া ঘৰখন নিজে হাতেৰে ভাঙিছে। যিসকলে নিজৰ ঘৰ ভাঙি নিছে তেওঁলোকেহে গম পাইছে।" ভুক্তভোগী ৰাইজে অভিযোগ কৰি কয় যে বিগত বছৰতো কুৰিটা পৰিয়ালৰ ঘৰ নদীত জাহ গৈছিল। চৰকাৰে সেইসকল লোকক সামান্য টকা দিছিল। সামন্য টকা দিয়েই শাসকীয় দলে বাঃ বাঃ লৈ আহিছে বুলিও ক্ষোভ উজাৰে স্থানীয় লোকসকলে। সেই সামান্য টকাৰে পৰিয়ালসমূহে একোকেই কৰিব নোৱাৰিলে বুলিও জানিবলৈ দিছে। এই সন্দৰ্ভত ক্ষুব্ধ একাংশ লোকে কয়, "এইবাৰ আমি চৰকাৰক নাটক কৰিবলৈ নিদিও। প্ৰয়োজনত ডিব্ৰুগড়ৰ ৰাজপথত ভয়াৱহ পৰিৱেশৰ সৃষ্টি কৰিম। মুঠতে গৰাখহনীয়াৰ স্থায়ী সমাধান আমাক লাগিবই।" জলসম্পদ বিভাগৰ কোনো কাম নাই বুলি অভিযোগ তুলি ক্ষুব্ধ অঞ্চলবাসীয়ে কয় যে প্ৰতিবছৰে প্ৰশাসনে জিঅ'বেগ, পাৰ্কোপাইনৰ কাম কৰি থকা হৈছে বুলি কয়। মন্ত্ৰী-বিধায়কক ক'লে টুলুঙা মন্তব্য কৰে, দেখুৱাব খোজে যে তেওঁলোকে ইয়াত কাম কৰি আছে। কিন্তু চৰকাৰৰ এনে হেমাহিৰ বাবে ডিব্ৰুগড় চহৰখনলৈকো এতিয়া বিপদ নামি আহিছে। এজন লোকে আক্ষেপেৰে কয়, "ডিব্ৰুগড় চহৰবাসীয়ে সাৰ পোৱা নাই। যেতিয়া বিপদ কাষ পাব তেতিয়া সাৰ পাই লাভ নাই। ৰাজ্য চৰকাৰে ভোটৰ স্বাৰ্থত হিতাধিকীৰৰ ৰাজনীতি অব্যাহত ৰাখিছে। বৰ বৰ মঞ্চত হিতাধিকাৰীক কোটি কোটি টকা বিতৰণ কৰি ৰাজ্য চৰকাৰে বাঃ বাঃ লৈছে। কিন্তু আমাৰ দৰে দুৰ্ভগীয়া লোকক খহনীয়াৰ পৰা ৰক্ষা কৰিব পৰা নাই।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ বিশেষ ঘোষণা

হোৱা প্ৰাৰ্থীসকলৰ বাবে আজি মুখ্যমন্ত্ৰীয়ে বিশেষ ঘোষণা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে অ'এমআৰ শ্বীট ডাউনলোড, উত্তৰবহী পুনৰীক্ষণ  কেনেদৰে কৰিব পাৰিব তাৰ তথ্য ৰাজহুৱা কৰিছে। সামাজিক মাধ্যমত এটা পোষ্ট দি মুখ্যমন্ত্ৰীয়ে উত্তৰবহী পুনৰীক্ষণৰ তাৰিখো ঘোষণা কৰে। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ চতুৰ্থ আৰু পঞ্চম কাকতত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকল অ'এম আৰ শ্বীট ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে ৮ অক্টোবৰৰ পৰা ২২ অক্টোবৰলৈকে অ'এমআৰ শ্বীট ডাউনলোড কৰিব পাৰিব। চতুৰ্থ আৰু পঞ্চম দুয়োখন কাকতৰ অফিচিয়েল এনছাৰ কী ৯ অক্টোবৰৰ পুৱা ৬ বজাৰ পৰা উপলব্ধ হ'ব। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে উত্তৰবহী পুনৰীক্ষণ কৰিব পাৰিব। তাৰ বাবে তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। প্ৰাৰ্থীসকলে তেওঁলোকৰ উত্তৰবহী ৯ অক্টোবৰৰ পৰা ১৮ অক্টোবৰৰ ভিতৰত পুনৰীক্ষণ কৰিব পাৰিব। উল্লেখ্য যে এডিআৰই পৰীক্ষাৰ অ'এমআৰ শ্বীটৰ নকল কপি পৰীক্ষাৰ দিনাখনেই আনিবলৈ নিদিয়াক লৈ বিতৰ্কৰ সৃষ্টি হৈছিল। ইয়াৰ পিছতে অ'এমআৰ শ্বীট ডাউনলোডৰ সুবিধা প্ৰদা কৰাৰ ব্যৱস্থা কৰে চৰকাৰে।

# ভয়ানক খহনীয়াৰ কবলত মাজুলীৰ ভকত চাপৰি

**ই-সংবাদ, মাজুলী, ৬ অক্টোবৰঃ** মাজুলীৰ ভকত চাপৰিত ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়া অব্যাহত আছে। ভকত চাপৰিৰ ১নং পদুমনিকে  আদি কৰি বিভিন্ন ঠাইত চলি আছে এই খহনীয়া। ব্ৰহ্মপুত্ৰৰ পানী কিছু বৃদ্ধি পোৱাৰ লগে লগে ভকত চাপৰি অঞ্চলত খহনীয়াই ব্যাপক ৰূপ ধাৰণ কৰিছে। শনিবাৰে নিশা ব্ৰহ্মপুত্ৰৰ খহনীয়াই ১নং পদুমনিৰ শ শ বিঘা কৃষি ভূমি নিমিষতে খহাই নিয়ে। খহনীয়াৰ প্ৰকোপত আতংকিত হৈ পৰিছে ভকত চাপৰি অঞ্চলৰ কেবাটাও পৰিয়াল। অঞ্চলটোৰ বাসিন্দা পত্নী আৰু এগৰাকী কন্যা সন্তনাৰ সৈতে বসবাস কৰা অসুস্থ জিতেন শইকীয়াৰ পৰিয়াটোৰ মাজত হাহাকাৰ লাগিছে। ৰুগীয়া স্বামীৰ লগতে নিজৰ কন্যা সন্তানক পত্নীয়ে পোহপাল দি থকা পৰিয়ালটো নিমিষতে খহনীয়াৰ কবলত পৰাত গাঁৱৰ ৰাইজে ঘৰ-দুৱাৰ ভাঙি স্থানান্তৰিত কৰিব লগা হৈছে। খহনীয়া ৰোধত জলসম্পদ বিভাগে ল'ৰা-ধেমালি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অঞ্চলবাসীয়ে। ৰাইজে অভিযোগ কৰা অনুসৰি অঞ্চলটোত খহনীয়া চলি থাকিলেও জিলা প্ৰশাসনে কোনো গুৰুত্ব নিদিয়ে। যাৰ ফলত বিঘাই বিঘাই কৃষি ভূমি খহনীয়াৰ কবলত পৰিছে। মাজুলী সুৰক্ষাৰ বাবে ব্ৰহ্মপুত্ৰ ব'ৰ্ডক কোটি কোটি টকা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে দি আহিছে যদিও সঠিক ৰূপায়ণ নকৰাৰ বাবেই এপদ এপদকৈ ভূমি মাজুলীৰ মানচিত্ৰৰ পৰা হেৰাই গৈছে বুলি অভিযোগ কৰিছে ভকত চাপৰি ৰাইজে। ইফালে সোৱণশিৰি নদীৰ খহনীয়াই মলয়া চাপৰি অঞ্চলত ব্যাপক খহনীয়া সৃষ্টি কৰিছে। বহু কৃষি ভূমি নদীৰ বুকুত জাহ যোৱাত খহনীয়াগ্ৰস্ত লোকসকলে উপায়বিহীন হৈ অদৃশ্যজনৰ শৰণাপন্ন হোৱা দেখা গৈছে। খহনীয়াত দিক-বিদিক হেৰুৱাই পেলোৱা লোকসকলে শীঘ্ৰে চৰকাৰক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# অসম সেনাৰ উদ্যোগত যোৰহাটত নিযুক্তি সহায়ক শিবিৰ, শতাধিকৰ অংশগ্ৰহণ

**ই-সংবাদ, যোৰহাট, ৬ অক্টোবৰঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ভাতৃ সংগঠন অসম সেনাৰ যোৰহাট জিলা সমিতিৰ উদ্যোগত যোৰহাট প্ৰেছ ক্লাৱত আজি এক নিযুক্তি সহায়ক শিবিৰ অনুষ্ঠিত হয়। অসমৰ বিভিন্ন জিলাত শাখা থকা কেইবাটাও বহুজাতিক কোম্পানী, বিত্তীয় প্ৰতিষ্ঠানকে ধৰি সৰ্বমুঠ ৮টা কোম্পানীয়ে অংশগ্ৰহণ কৰা সহায়ক শিবিৰটোত ২৫টা পদৰ বাবে ৪৫ জনক চমু তালিকাত অন্তৰ্ভুক্ত কৰা হয়। অনলাইনযোগে তথা শিবিৰটোত উপস্থিত থাকি সৰ্বমুঠ ৪১৮ গৰাকী প্ৰাৰ্থীয়ে ২৫ টা পদৰ বাবে আবেদন কৰে। প্ৰগতি গ্ৰুপ, এএনপিএল, আদিত্য বিৰলা, চ'লা মণ্ডলম, আৰডি মৰ্টৰ্চ আদিৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা শিবিৰটোত অসম সেনাৰ যোৰহাট জিলা সমিতিৰ মুখ্য আহ্বায়ক অৰূপ পূজাৰীয়ে আঁত ধৰা আৰম্ভণি অনুষ্ঠানটোত উপস্থিত থাকি অসম সেনাৰ মুখ্য




আহ্বায়ক বিজয় শংকৰ বৰদলৈয়ে কয় যে অসমত থকা বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান, বিভিন্ন বহুজাতিক কোম্পানীকে ধৰি সমূহ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত এশ শতাংশ থলুৱাৰ নিযুক্তি হ'বই লাগিব। তেওঁ আৰু কয় যে অসমত বহুত বিত্তীয় প্ৰতিষ্ঠান আছে য'ত থলুৱা প্ৰাৰ্থী নিয়োজিত আৰু মকৰল হৈ আছে। কিন্তু উচ্চ পদবীবোৰত সদায় বহিৰাজ্যৰ প্ৰাৰ্থীকহে অগ্ৰাধিকাৰ দিয়া হৈছে বুলিও তেওঁ ক্ষোভ প্ৰকাশ কৰে। যিহেতু অসমত অৰ্হতাসম্পন্ন যোগ্য নিবনুৱাৰ অভাৱ নাই, তেনেক্ষেত্ৰত অসমৰ প্ৰতি কৰা এই প্ৰৱঞ্চনা সহ্য কৰা নহ'ব বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। অসম সেনাই এনে কাৰণতে এইধৰণৰ যোগাত্মক পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি ভৱিষ্যতে ডেৰ-দুই মাহৰ অন্তৰালত এনেধৰণৰ সহায়ক শিবিৰ অনুষ্ঠিত কৰিলৈ পৰিকল্পনা চলাই থকাৰ কথাও জনায়। উল্লেখ্য যে আজি সহায়ক শিবিৰটোত অধিবক্তাৰ বাবে এটি পদ, মেকানিকেল অভিযন্তা বাবে চাৰিটা পদ, কনিষ্ঠ অভিযন্তা (চিভিল)ৰ বাবে এটা পদ, গাণনিকৰ বাবে ১০টা পদ, স্নাতক পৰ্যায়ৰ অন্য সাতটা পদ আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত দুটা পদৰ বাবে বিজ্ঞাপন প্ৰদান কৰা হৈছিল। খুব কম সময়ৰ ভিতৰতে চমু তালিকাত অন্তৰ্ভুক্ত হোৱা ৪৫ জনৰ ভিতৰত ২৫ জনক নিযুক্তি প্ৰদান কৰা হ'ব বুলি জানিব পৰা গৈছে।




# হবিব মোহাম্মদ চৌধুৰী জামিয়া দাৰুলৰ সভাপতি নিৰ্বাচিত

**ই-সংবাদ, মোৰাঝাৰ, ৬ অক্টোবৰঃ** অসমৰ ইছলামী শিক্ষাৰ সৰ্ববৃহৎ পীঠস্থান হোজাই জিলাৰ জামিয়া অসম দাৰুল হাদীছ জয়নগৰ মাদ্ৰাছাৰ সৰ্বোচ্চ সাধাৰণ পৰিষদৰ বৈঠকে অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ অধ্যক্ষ হবিব মোহাম্মদ চৌধুৰীক পৰৱৰ্তী সভাপতিৰূপে নিৰ্বাচিত কৰে। ১৯১৯ চনত স্থাপিত জামিয়া অসম দাৰুল হাদীছ মাদ্ৰাছাখন বিগত ছমাহ ধৰি এখন তদৰ্থ সমিতিৰ ব্যৱস্থাপনাত চলি আছিল। বিভিন্ন কাৰিকৰী কাৰণত আৰু আইনী জটিলতাত জয়নগৰ মাদ্ৰাছাৰ সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব পৰা নাছিল। দীৰ্ঘ প্ৰতীক্ষা আৰু বিতৰ্কৰ অন্তত আজি অসম দাৰুল হাদীছ জয়নগৰ মাদ্ৰাছাৰ প্ৰতিনিধিত্বমূলক সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিৰ লগতে মণিপুৰ, নাগালেণ্ড, মেঘালয়ৰ মুঠ ১৩২ গৰাকী সাধাৰণ পৰিষদৰ সদস্যৰ উপস্থিতিত সাধাৰণ সভা অনুষ্ঠিত হয়। হবিব মোহাম্মদ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মাদ্ৰাছাৰ শিক্ষা সচিব মৌলানা চামচুল হক চাহাবে। সভাৰ আৰম্ভণিতে জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে উপস্থিত সদস্যসকলৰ পৰিচয় লোৱাৰ লগতে মাদ্ৰাছাখনৰ পৰিচালনা সম্পৰ্কীয় দিশ নিৰ্দেশ দি এক তত্বগধুৰ বক্তব্য আগবঢ়ায়। তাৰ পিছতে বিগত ছমাহৰ মাদ্ৰাছাৰ আয়-ব্যয়ৰ খতিয়ান দাঙি ধৰে তদৰ্থ সমিতিৰ সভাপতি হবিব মোহাম্মদ চৌধুৰীয়ে। তদৰ্থ সমিতিৰ সভাপতিৰ পৰা হবিব চৌধুৰীয়ে পদত্যাগ কৰাত সাধাৰণ পৰিষদৰ বৈঠকে তেওঁক সৰ্বসন্মতি ক্ৰমে স্থায়ী সভাপতি ৰূপে নিৰ্বাচিত কৰে। আজিৰ সভাই জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, ডবকাৰ ৰাজহ চক্ৰ বিষয়াক মাদ্ৰাছাৰ সংবিধান অনুসৰি চৰকাৰী প্ৰতিনিধি ৰূপে উপদেষ্টা মনোনীত কৰাৰ লগতে মুঠ ৯ গৰাকী ব্যক্তিক উপদেষ্টা নিৰ্বাচিত কৰে। দুগৰাকী উপ-সভাপতি, সম্পাদকৰূপে মৌলানা তৈয়বুৰ ৰহমান, দুগৰাকী সহ সম্পাদক ক্ৰমে মৌলানা বাহাৰ উদ্দিন বাহাৰ, নাজিৰ আহমেদ চৌধুৰীক নিৰ্বাচিত কৰে। আজিৰ সভাই সাধাৰণ পৰিষদৰ সদস্যৰ পৰা মুঠ ৫১ জনীয়া এখন পৰিচালনা সমিতি গঠন কৰি দিয়ে।

## বাঁহগড়ত বিশেষ অনুষ্ঠান

# ১৭ অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুক সম্বৰ্ধনা

**ই-সংবাদ, শিৱসাগৰ, ৬ অক্টোবৰঃ** শিৱসাগৰ বেতবাৰী মৌজাস্থিত বাঁহগড় আদৰ্শ প্ৰাথমিক বিদ্যালয়ত আজি বহু সংখ্যক অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে এখন প্ৰীতি সমাৰোহ অনুষ্ঠিত কৰা হয়। শিক্ষাগুৰু বিপিন চন্দ্ৰ মাউৎ, ৰমেশ ফুকন, নীৰদা দুৱৰী, আব্দুল কুদ্দুছ, অশ্বিনী বৰপাত্ৰগোঁহাই আৰু লক্ষ্যজ্যোতি বৰঠাকুৰৰ উদ্যোগত চেঙেলীবাৰী কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ১৭ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক চেলেং চাদৰ, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। ৫৩৯ নং মাউৎ মৌপিয়া প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বিপিন চন্দ্ৰ মাউতে আঁত ধৰা অনুষ্ঠানটোত ৰোহিনী আৰন্ধৰা, সত্যেন বৰগোঁহাই, চন্দ্ৰপ্ৰভা চাংমাই, ৰাজৎ দত্ত, আব্দুল জাব্বৰ, বসন্ত চুতীয়া, বীণা শইকীয়া, ৰূপা হাজৰিকা, দধি কোঁৱৰ, কনক চাংমাই, মুজিবুৰ ৰহমানৰ, ভৰত বৰপাত্ৰগোঁহাই, ৰূপালী বকতিয়াল, শুভন বৰগোঁহাই, বাগাধৰ দুৱৰী, ক্ষীৰোদ কোঁৱৰ আৰু তোযশ্বৰ দোলাকাষৰীয়াক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।




নিযুত মইনা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত এনেদৰে দেখা গ'ল বিধায়ক মৃণাল শইকীয়াক

# মৰিগাঁৱৰ জাতীয়তাবাদী নেতা পাৰ্থপ্ৰতিম বাংঠাইৰ নুমলীগড়ত পথ দুৰ্ঘটনাত মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ৬ অক্টোবৰঃ** মৰিগাঁও জিলাৰ জাতীয়তাবাদী শিবিৰৰ নেতা তথা পেচাত অভিযন্তা পাৰ্থপ্ৰতিম বাংঠাইৰ যোৱা নিশা গোলাঘাটৰ নুমলীগড়ত এক ভয়ংকৰ পথ দুৰ্ঘটনাত মৃত্যু হয়। প্ৰাপ্ত তথ্য মতে যোৱা নিশা ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নুমলীগড়ৰ দেওপাহাৰত সংঘটিত হোৱা এই ভয়ংকৰ দুৰ্ঘটনাটোত পাৰ্থপ্ৰতিম বাংঠাইৰ লগতে আন দুজন সুঠাম যুৱক থিতাতে নিহত হয়। প্ৰতিভাসম্পন্ন যুৱক পাৰ্থপ্ৰতিমৰ অকাল মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে মৰিগাঁও জিলাত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, নুমলীগড় তেল শোধনাগাৰৰ অধীনৰ পিকেচি নামৰ ঠিকা প্ৰতিষ্ঠানটোৰ অভিযন্তা হিচাপে কৰ্মৰত পাৰ্থ প্ৰতিম বাংঠাই শিক্ষাগ্ৰহণৰ কালচোৱাত মনহা অঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি তথা জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক হিচাপে কাৰ্যবাহ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জাগীভকতগাঁও আঞ্চলিকৰ সভাপতিৰ দ্বায়িত্ব পালন কৰিছিল। ইয়াৰ ওপৰিও বিভিন্ন সভা-সমিতিৰে জড়িত যুৱকজনৰ মৃত্যুৰ কথা সদৰী হোৱাৰ লগে লগে মনহাস্থিত বাসভৱনত বহুলোকৰ সমাগম ঘটে। বাতৰি লিখা পৰ্যন্ত যুৱকজনৰ নশ্বৰ দেহ আহি ঘৰ পোৱাহি নাই। জিলাখনৰ অন্যতম সমাজকৰ্মী মুনীন্দ্ৰ বাংঠাইৰ পুত্ৰ পাৰ্থ প্ৰতিম বাংঠায়ে মৃত্যুৰ সময়ত বহু সংখ্যক আত্মীয়-স্বজন তথা গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ গৈছে। বাংঠাইৰ মৃত্যুত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰচাৰ সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মা, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া সম্পাদক ড° অচ্যুত কুমাৰ দাস, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি ড° বিৰিঞ্চি কুমাৰ শৰ্মা সম্পাদক জিতুমণি নাথ, সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ মৰিগাঁও জিলা সমিতি, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক ললিত চন্দ্ৰ পাচনিৰ লগতে পৰিষদৰ মৰিগাঁও জিলা সমিতি, মৰিগাঁও জিলা প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলনী, তিৱা ছাত্ৰ সন্থা,কোচ-ৰাজবংশী ছাত্ৰ সন্থা, কলিতা ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠন তথা ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

### গুৰুতৰভাৱে আহত অধ্যাপক ৰক্তপ্ৰৱাল গগৈ চিকিৎসাধীন

# দৈৰ্গ্ৰোঙত ভয়ংকৰ দুৰ্ঘটনাত জিচিচিৰ অধ্যাপক হাৰমিত সিং নিহত

**ই-সংবাদ, গোলাঘাট, ৬ অক্টোবৰঃ** এক ভয়ংকৰ পথ পথ দুৰ্ঘটনাত এগৰাকী অধ্যাপকে প্ৰাণ হেৰুওৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে গোলাঘাট জিলাত। প্ৰাপ্ত বাতৰি অনুযায়ী পথ দুৰ্ঘটনাত পতিত হৈ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক হৰমিত সিং নিহত হয়। ভয়ংকৰ দুৰ্ঘটনাটো গোলাঘাটৰ নামবৰ দৈগ্ৰোং বন্যপ্ৰাণী অভয়াৰণ্যৰ সমীপত ৩৯নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হৈছিল। জানিব পৰা মতে, দুই বন্ধু অধিবক্তা ৰক্তপ্ৰবাল গগৈ আৰু অধ্যাপক হৰমিত সিঙে এএছ-০৫-ইউ-৬৪০৫ নম্বৰৰ ভেন্যু নামৰ চাৰিচকীয়া বাহনেৰে চিলনীজানৰ পৰা গোলাঘাট অভিমুখে আহি আছিল। তেনে সময়ত বিপৰীত দিশৰ পৰা অহা ৰদ কঢ়িয়াই অনা এইচআৰ-৫৮-পি-৪১৩৮ নম্বৰৰ এলপি ট্ৰাকৰ সৈতে ৰক্তপ্ৰবাল গগৈ আৰু অধ্যাপক হৰমিত সিঙৰ বাহনখনৰ মুখামুখি সংঘৰ্ষ লাগে। ৰক্তপ্ৰবাল গগৈ আৰু অধ্যাপক হৰমিত সিঙৰ বাহনৰ সন্মুখ ভাগৰ ক্ষতি হোৱাৰ লগতে দুয়োজনৰ শৰীৰত কেইবাঠাইত গুৰুতৰ আঘাত লাগি ৰক্তক্ষৰণ হ'বলৈ ধৰে। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক হৰমিত সিঙে গাড়ীৰ ভিতৰতে মৃত্যুক আকোৱালি লয়। বহু সময়ৰ মূৰকত অতি কষ্টৰে মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গুৰুতৰভাৱে আহত অধিবক্তা ৰক্তপ্ৰবাল গগৈক ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ৰক্তপ্ৰবাল গগৈক চিকিৎসা কৰি থকা বুলি জানিব পৰা গৈছে। প্ৰত্যক্ষদৰ্শীসকলে জনোৱা মতে, ট্ৰাকখন ডিমাপুৰ অভিমুখে গৈ আছিল। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক হৰমিত সিঙৰ আকস্মিক মৃত্যুত সমগ্ৰ গোলাঘাটতে শোকৰ ছাঁ পৰিছে।




নিযুত মইনা আঁচনিৰ চেক বিতৰণ বিধায়ক লৰেন্স ইছলাৰীৰ, কোকৰাঝাৰত দেওবাৰে

# মৰিগাঁৱত আঞ্চলিক নাথ-যোগী সন্মিলনীৰ অধিৱেশন

**ই-সংবাদ, মৰিগাঁও, ৬ অক্টোবৰঃ** মৰিগাঁও জিলা যোগী সন্মিলনৰ অন্তৰ্গত নটুৱাগাও আঞ্চলিক নাথ-যোগী সন্মিলনীৰ দ্বি বাৰ্ষিক অধিৱেশনখনি আজি ৫১২নং সিধাবাৰী প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গনত দিন যোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা সন্মিলনীৰ পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত সভাপতি হেমেন কাকতিয়ে। শ্বহীদ তৰ্পণ কৰে নটুৱাগাও বাপুজী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ললিত চন্দ্ৰ নাথে। ইয়াৰ পিছতে ভাৰপ্ৰাপ্ত সভাপতি হেমেন কাকতিৰ সভাপতিত্বত বিষয় বাছনি আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হয়। ৰঙাদবিয়া এম ভি স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক সভাৰাম নাথে উদ্বোধন কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক নিত্যানন্দ নাথে। শিক্ষাবিদ পুনাৰাম নাথ, জিলা যোগী সন্মিলনৰ প্ৰাক্তন সম্পাদক জিতেন চন্দ্ৰ নাথ, জিলা যোগী যুৱ সন্মিলনীৰ প্ৰাক্তন সভাপতি নিলেন্দ্ৰ কুমাৰ নাথ, জিলা যোগী সন্মিলনৰ প্ৰাক্তন সভাপতি সোমেশ্বৰ নাথ, জিলা যোগী সন্মিলনৰ উপ-সভাপতি তীথ'দে ভাৰতী, জিলা যোগী সন্মিলনৰ সম্পাদক নিতুমনি নাথসহ বহু গণ্য-মান্য লোক উপস্থিত থকা সভাখন আত ধৰে আঞ্চলিক যুটীয়া সম্পাদক ভৰত কুমাৰ নাথে। আগন্তক দ্বি বৰ্ষৰ বাবে সভাই সভাপতি হেমেন কাকতি, উপ-সভাপতি ললিত চন্দ্ৰ নাথ, যোগেশ্বৰ নাথ, বিপিন নাথ, সম্পাদক নিত্যানন্দ নাথ,সহ-সম্পাদক পুষ্প নাথ কাকতি, যুটীয়া সম্পাদক অচিনি নাথ, ভৰত কুমাৰ নাথক লৈ ২৫জনীয়া সমিতি গঠন কৰা হয়। বিয়লিৰ ভাগত জিলা যোগী যুৱ সন্মিলনীৰ প্ৰাক্তন সভাপতি নিলেন্দ্ৰ কুমাৰ নাথৰ সভাপতিত্বত এখনি মুকলি সভা অনুষ্ঠিত হয়।

মাতৃভাষা মাধ্যমৰ চৰকাৰী স্কুল বন্ধৰ সিদ্ধান্তক লৈ প্ৰতিক্ৰিয়া

# ফিল'বাৰীৰ ঐতিহ্যমণ্ডিত ৰবৰগুৰি প্ৰাথমিক বিদ্যালয় বন্ধ



**ই-সংবাদ, ডুমডুমা, ৬ অক্টোবৰঃ** অসমক দেশৰ আগশাৰীৰ প্ৰথম পাঁচখন ৰাজ্যৰ শাৰীত উপনীত কৰোৱাৰ সপোন দেখুৱাই অহা অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দিনতেই এখনৰ পিছত এখনকৈ মাতৃভাষা মাধ্যমৰ চৰকাৰী স্কুল বন্ধৰ হোৱাৰ পথত। প্ৰয়োজনীয় সংখ্যক ছাত্ৰ-ছাত্ৰী নথকাৰ অজুহাততেই ৰাইজৰ চৰম ত্যাগ আৰু পৰিশ্ৰমৰ ফলত স্থাপন হোৱা একাংশ চৰকাৰী বিদ্যালয় বন্ধত সাৰ পানী যোগোৱা এইখন পৰিৱৰ্তনকামী বিজেপি চৰকাৰে এইবাৰ বন্ধ কৰিলে তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ ফিল'বাৰী অঞ্চলৰ এখন ঐতিহ্যমণ্ডিত চৰকাৰী প্ৰাথমিক বিদ্যালয়। ১৯৫২ চনতেই ৰাইজৰ গাঁঠিৰ ধনেৰে গঢ়ি উঠা তথা ফিল'বাৰীৰ মাজমজিয়াস্থিত তথা ৰবৰগুৰি সোণোৱাল গাঁৱৰ ৰবৰগুৰি প্ৰাথমিক বিদ্যালয়খন যোৱা ১৮ ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰ তথা শিক্ষা বিভাগে আনুষ্ঠানিকভাৱে পাঠদান বন্ধ কৰে। কাকপথাৰ শিক্ষা খণ্ডৰ লগতে কাকপথাৰ উন্নয়ন খণ্ডৰ অধীনস্থ বিদ্যালয়খনত প্ৰয়োজনীয় ছাত্ৰ-ছাত্ৰী নথকাৰ অজুহাতত চৰকাৰে বন্ধ কৰে। দুজন শিক্ষকৰ পৰিৱৰ্তে মুঠ ১৭ জন কণ-কণ ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ উক্ত ছাত্ৰ-ছাত্ৰী কেইজনক নিকটৱৰ্তী বৰগাঁও প্ৰাথমিক বিদ্যালয়লৈ স্থানান্তৰ কৰে শিক্ষা বিভাগে। বৃহত্তৰ ফিল'বাৰী অঞ্চলটোৰ বিশেষ ঐতিহ্য বহন কৰি অহা তথা বৃহত্তৰ অঞ্চলটোৰ প্ৰথমখন শিক্ষানুষ্ঠান এই বিদ্যালয়খন আন এটা দিশৰ পৰাও বিশেষ চৰ্চিত। কাৰণ, এই বিদ্যালয়খনতেই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল অঞ্চলটোৰ গৌৰৱ বিশিষ্ট কবি, সাহিত্যিক, গৱেষক তথা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, একালৰ পত্ৰিকা সম্পাদক আৰু প্ৰাক্তন প্ৰধান সম্পাদক তথা ঐতিহাসিক শিৱসাগৰ কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক নাহেন্দ্ৰ পাদুনে। অসমীয়া সাহিত্য জগতত সু-পৰিচিত ডুমডুমাৰ সু-সন্তান তথা মিচিং জনগোষ্ঠীৰ অন্যতম পথ প্ৰদৰ্শক নাহেন্দ্ৰ পাদুনে এই বিদ্যালয়খনৰ পৰাই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ অন্তত ফিল'বাৰী এম. ই স্কুলত অধ্যয়ন কৰি ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড় হনুমান বক্স সুৰুযমল কানৈ কলেজৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিছিল। ১৯৭২ চনৰ ২ আগষ্টত শিৱসাগৰ কলেজত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰা নাহেন্দ্ৰ পাদুনে এইখন প্ৰাথমিক বিদ্যালয়ত ১৯৫৩ চনত তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতে মইনা পাৰিজাতৰ প্ৰধানমন্ত্ৰীও আছিল। জনসাধাৰণৰ মতামতক আওকাণ কৰি ইতিমধ্যে প্ৰায় ৯,০০০তকৈ অধিক চৰকাৰী স্কুল একত্ৰীকৰণৰ নামত বন্ধ কৰা এই চৰকাৰে ৰাজ্যত আৰু ১১,০০০তকৈ অধিক স্কুল বন্ধ কৰাৰ লক্ষ্য লৈছে। চূড়ান্ত শিক্ষা বিৰোধীস্বৰূপ জাতীয় শিক্ষানীতি-২০২০ৰ কাৰ্যক্ৰম বাস্তৱায়িত কৰাৰ স্বাৰ্থত চৰকাৰে ১৮১০খন মাতৃভাষা মাধ্যমৰ চৰকাৰী স্কুল বন্ধ কৰিছে। পৰ্যাপ্ত পৰিমাণৰ আন্ত:গাঁথনি গঢ় দি পৰ্যাপ্ত শিক্ষক নিযুক্তি দিলে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী নামভৰ্তি কৰাৰ থল থকা ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহৰ একাংশ বিদ্যালয়ক চৰকাৰে বন্ধ কৰাৰ হঠকাৰী সিদ্ধান্তক একমুখে ধিক্কাৰ দিছে শিক্ষাপ্ৰেমী তথা সমাজ-সচেতন ব্যক্তিয়ে। ঐতিহ্যমণ্ডিত ৰবৰগুৰি প্ৰাথমিক বিদ্যালয়খনক বন্ধ কৰাক লৈ সমগ্ৰ ডুমডুমা অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# পৰ্বতঝোৰাৰ টিপকাইত নিযুত মইনা আঁচনিৰ চেক বিতৰণ

**ই-সংবাদ পৰ্বতঝোৰা, ৬ অক্টোবৰঃ** অসম চৰকাৰৰ দ্বাৰা অনুমোদিত নিযুত মইনা আঁচনিৰ অধীনত সমগ্ৰ অসমতে ছাত্ৰীসকললৈ আৰ্থিক অনুদান প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি আজি পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত টিপকাই ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত এই কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত আৰ্থিক চেক প্ৰদান অনুষ্ঠানত উপস্থিত থকে অসম চৰকাৰৰ ভৈয়াম জনজাতি উন্নয়ন পৰিষদৰ উপাধ্যক্ষ বনেন্দ্ৰ কুমাৰ মুছাহাৰী। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সপোনৰ অভিলাষী আঁচনি মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ আৰ্থিক অনুদান প্ৰদান কাৰ্যসূচীত দিনৰ ১১ বজাত কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বিভিন্ন অঞ্চলৰ শিক্ষানুষ্ঠানৰ ছাত্ৰীসকল উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত পৰ্বতঝোৰাৰ অতিৰিক্ত মহকুমা আয়ুক্ত সুৰয ডেকাৰ লগতে আন আন বৰমুৰীয়াসকলো উপস্থিত থাকে। এই অনুষ্ঠানত বিভিন্ন শিক্ষানুষ্ঠানৰ ৪ শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰি নিযুত মইনা আঁচনিৰ চেক সংগ্ৰহ কৰে।

# জাজৰিত লেখক মহেন্দ্ৰ হাজৰিকাৰ দুখনকৈ গ্ৰন্থ উন্মোচন

## অধ্যয়নত গুৰুত্ব আৰোপ

**ই-সংবাদ, বেৰেজীয়া, ৬ অক্টোবৰঃ** নগাঁও জিলাৰ জাজৰি বালিকা মজলীয়া বিদ্যালয়ত দেওবাৰে এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। জাজৰি আঞ্চলিক শতদল শাখা সাহিত্য সভাৰ সভাপতি নৰেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত লেখক, কবি মহেন্দ্ৰ হাজৰিকাৰ দুখনকৈ গ্ৰন্থ 'জটিল প্ৰশ্নৰ উত্তৰ সোপান' আৰু 'ফুলৰ শৰাই' উন্মোচন কৰা হয়। শিক্ষক অজিত বৰাই আঁত ধৰা সভাখনত নিৰবচ্ছিন্ন সাহিত্য সাধক মহেন্দ্ৰ হাজৰিকাৰ কাব্যগ্ৰন্থ 'ফুলৰ শৰাই' উন্মোচন কৰি লেখক, সাংবাদিক ৰাহুল দেৱ বৰদলৈয়ে কয় যে নৱ প্ৰজন্মই অধ্যয়নৰ ধৈৰ্য্য হেৰুৱাইছে। অধ্যয়নৰ যিটো মাদকতা আৰু আনন্দ সেয়া পঢ়ুৱৈসকললেহে উপভোগ কৰিব পাৰে। বৰ্তমান বস্তুবাদী সমাজত ম'বাইল, লেপটপ, ইন্টাৰনেটৰ যোগেদি নতুন চাম বহুখিনি আগবাঢ়ি গৈছে যদিও কিতাপ পঢ়াৰ প্ৰকৃত আনন্দৰ পৰা বঞ্চিত হৈছে। তেওঁ লগতে বৰ্তমান সময়ত ছাত্ৰ সমাজত যি নৈতিক স্খলন হৈছে তাৰ বাবে একাংশ



অভিভাৱক আৰু শিক্ষক দায়ী বুলি উল্লেখ কৰি এই সময়ত সংস্কাৰী শিক্ষাৰে সঠিক পথৰ সন্ধান শিক্ষক সমাজ আৰু সচেতন নাগৰিকসকলে দিব লাগিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। ইফালে, লেখকগৰাকীৰ আনখন গ্ৰন্থ 'জটিল প্ৰশ্নৰ উত্তৰ সোপান' উন্মোচন কৰে প্ৰধান শিক্ষক প্ৰদীপ ভূঞাই। গাম্ভীৰ্যপূৰ্ণ সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষাবিদ প্ৰধান চন্দ্ৰ গোস্বামী আৰু সমাজকৰ্মী সোমেশ্বৰ বৰাই লেখক মহেন্দ্ৰ হাজৰিকাৰ দীৰ্ঘদিনীয়া সাহিত্য সাধনাৰ বিষয়ে আলোকপাত কৰে। সভাত সমাজকৰ্মী অশ্বিনী ৰাজা, যোগেশ্বৰ বৰুৱা, ভৱ শৰ্মা, ভুপেন কাকতিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিৰ লগতে লেখকগৰাকীৰ বহু সংখ্যক গুণমুগ্ধ উপস্থিত থাকে।




**মৰিগাঁৱত মাধ্যম আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদ মোজাম্মিল হকক স্মৰণ, দেওবাৰে**

## আমগুৰিৰ টিফুকত জুইত জাহ গ'ল প্ৰায় ৫ লাখ টকাৰ সামগ্ৰী

**ই-সংবাদ, আমগুৰি, ৬ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ টিফুক বুঢ়াগাঁও তিনিআলিত যোৱা নিশা সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। জানিব পৰা মতে, টিফুক বুঢ়াগাঁও তিনি আলিত ইলেক্ট্ৰনিক সামগ্ৰী মেৰামতি কৰা "ইয়াছবিন ইলেক্ট্ৰনিক" নামৰ দোকানখনত হঠাৎ অগ্নিকাণ্ড সংঘটিত হোৱাত অঞ্চলটোত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। স্থানীয় সচেতন লোকে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত লগে লগে অগ্নিনিৰ্বাপক বাহিনীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। কিন্তু সেই অগ্নিকাণ্ডত প্ৰায় পাঁচ লক্ষাধিক টকাৰ সামগ্ৰী জুইত জাহ যায়। শ্বৰ্ট চাৰ্কিটৰ ফলত এই অগ্নিকাণ্ডৰ সুত্ৰপাত হোৱা বুলি জানিব পৰা গৈছে।

### সদৌ অসম গৰীয়া-মৰীয়া দেশী জাতীয় পৰিষদৰ উদ্যোগত বিশেষ অনুষ্ঠান

# মাধ্যম আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদ মোজাম্মিল হকক মৰিগাঁৱত স্মৰণ

**ই-সংবাদ, মৰিগাঁও, ৬ অক্টোবৰঃ** সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আজি মৰিগাঁৱত অসমৰ ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদ মোজাম্মিল হকক সশ্ৰদ্ধে স্মৰণ কৰি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহন কৰি অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই কয় যে অসমীয়া ভাষাই ইতিমধ্যে ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিলে। এতিয়া এই ভাষাটোৱে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ হলে প্ৰতিজন অসমীয়াই চেষ্টা কৰিব লাগিব। কোনো বিহাৰী, ৰাজস্থানী বা গুজৰাটীয়ে অসমীয়া ভাষাক বিশ্ব দৰবাৰলৈ নিব নোৱাৰে, কেৱল অসমীয়াই হে অসমীয়া ভাষাক বিশ্ব দৰবাৰলৈ নিব পাৰিব। তেওঁ কয় যে যেতিয়া অসমীয়াই নিজৰ সন্তানক অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়া-শুনা কৰাব, অসমীয়া ভাষাত কথা-বতৰা, লেখা-মেলা কৰিব তেতিয়াহে অসমীয়া ভাষাই বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিব। ভাষণ প্ৰসংগত হাজৰিকাই অসমীয়াক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ, বিশেষকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰি কয়, এতিয়া অসমীয়া মানুহৰ ভাষাটোক বিকশিত কৰাৰ দায়িত্ব বাঢ়িল। আনহাতে অসমীয়া ভাষা-সংস্কৃতি ৰক্ষা কৰাৰ ক্ষেত্ৰত খিলঞ্জীয়া গৰীয়া-মৰীয়াসকলৰ অৱদানক প্ৰসংশা কৰি গৰীয়া, মৰীয়া, দেশীসকল অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ বুলি তেওঁ মন্তব্য কৰে। সদৌ অসম গৰীয়া, মৰীয়া, দেশী জাতীয় পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক মনোৱাৰ হুছেইনে আঁত ধৰা এই অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মাই কয় যে খিলঞ্জীয়া গৰীয়া, মৰীয়াসকলে সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে যুঁজ দি অসমীয়া ভাষা, সাহিত্য, কলা-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত সমাজত বিশেষভাৱে কাম কৰি আহিছে, যিটো সমাজৰ বাবে শুভ লক্ষণ। তেঁও ভাষণ প্ৰসংগত মোজাম্মিল হকৰ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই অসমীয়া ভাষা ৰক্ষা কৰাৰ ক্ষেত্ৰত প্ৰাণ বিসৰ্জন দিয়া মাধ্যম আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদক স্মৰণ কৰাৰ লগতে অসমীয়া ভাষা ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে অসমীয়া মাধ্যমৰ বিদ্যালয়ত ব্যাকৰণৰ প্ৰয়োগ আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক কৰিলেহে ৰাজ্যত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি পাবলৈ সক্ষম হব আৰু তেতিয়াহে ভাষা আৰু মাধ্যম আন্দোলনত আত্মবলিদান দিয়া বীৰ শ্বহীদ সকলৰ ত্যাগ সাৰ্থক হব। অনুষ্ঠানত সু-লেখিকা তথা কৃতি শিক্ষয়িত্ৰী জৰ্জিনা বেগম, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমনি নাথ, সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা মধ্য মণ্ডলৰ সভাপতি পৰেশ ডেকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ প্ৰাক্তন সভাপতি জ্যোতিৰ্ময় গোস্বামী, প্ৰাক্তন ছাত্ৰ সন্মিলনী মৰিগাঁও জিলা সমিতিৰ সম্পাদক কুলদ্বীপ গোস্বামীৰ লগতে গৰীয়া, মৰীয়া, দেশী জাতীয় পৰিষদৰ মৰিগাঁও জিলা সমিতি, বিভিন্ন আঞ্চলিক সমিতিৰ সভাপতি, সম্পাদক আৰু বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভাষা শ্বহীদ মোজাম্মিল হকৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰতাপ হাজৰিকাই আৰু মাল্যৰ্পন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই। উল্লেখ্য যে ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ ৬ অক্টোবৰ দিনটোত মোজাম্মিল হকে ভাষা জননীৰ হকে প্ৰাণ আহুতি দিছিল।

১৫ শতাংশ কমিছনত ৰহস্যজনক লোকে কৰি আহিছে কাণ্ড, দুই বস্তা মুদ্ৰাসহ এজনক আটক

# আচৰিত! নিশা গোপনে বিক্ৰী হয় বটদ্ৰৱা থানৰ প্ৰণামী বাকচৰ মুদ্ৰা

**ই-সংবাদ, বেবেজীয়া, ৬ অক্টোবৰঃ** বিতৰ্কৰ যেন অন্ত নপৰিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ স্মৃতিবিজড়িত বটদ্ৰৱা থানৰ। বিগত সময়ছোৱাত আৰ্থিক অনিয়ম, দুৰ্নীতি, থানৰ সংবিধান অৱমাননা আদি নানা কাৰ্যকলাপৰ বাবে বাতৰিৰ শিৰোনামা দখল কৰি আহিছে বটদ্ৰৱা থানে। এনে সময়তে এইবাৰ বটদ্ৰৱা থানত সংঘটিত হ'ল এক নজিৰবিহীন ঘটনা। জানিব পৰা মতে, শনিবাৰে নিশা বটদ্ৰৱা থানৰ প্ৰণামী বাকচৰ দুই বস্তা মুদ্ৰা গোপনে জুৰিয়া থানাৰ অন্তৰ্গত মেলেকা ধিঙৰ ৰইছ উদ্দিন নামৰ এজন ব্যক্তিয়ে লৈ যোৱা অৱস্থাত ব্যক্তিজনক ৰাইজে হাতে-লোটে আটক কৰে। ইয়াকে লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পিছত মুদ্ৰাখিনিৰ সৈতে ব্যক্তিজনক ৰাইজে বটদ্ৰৱা আৰক্ষীক গতাই দিয়ে। ৰহস্যজনক কথা এয়ে যে, আৰক্ষীৰ আগত ধৃত ব্যক্তিজনে বটদ্ৰৱা থানৰ লগত জড়িত এজন লোকক ১৫ শতাংশ কমিছন দি এই মুদ্ৰাখিনি লৈ অনা বুলি স্বীকাৰ কৰে। উল্লেখ্য যে, বিতৰ্কৰ আৱৰ্তত সোমাই পৰা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ কাৰ্যকলাপত অতিষ্ঠ হৈ যোৱা ৯ মে'ত অনুষ্ঠিত হোৱা সাধাৰণ সভাত ভকত-বৈষ্ণৱ আৰু ৰাইজে অনাস্থা প্ৰস্তাৱ দি পৰিচালনা সমিতিখন ভংগ কৰি দিছিল যদিও পৰৱৰ্তী কালত ৰাইজৰ সিদ্ধান্তক অৱজ্ঞা কৰি পুৰণি সমিতিখনে ন্যায়ালয়ৰ দ্বাৰস্থ হৈ পুনৰ ২৪ ছেপ্টেম্বৰত দায়িত্বভাৰ গ্ৰহণ কৰিছিল। কিন্তু দায়িত্ব লোৱাৰ পিছতেই এনেদৰে যোৱা নিশা ৰইছ উদ্দিন নামৰ ব্যক্তিজনক থানৰ প্ৰণামী বাকচৰ ভকত-বৈষ্ণৱৰ অৰিহণাৰ দুই বস্তা মুদ্ৰা গোপনে বিক্ৰী কৰাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি, ন্যায়ালয়ৰ দ্বাৰা থানৰ আৰ্থিক লেন-দেন বন্ধ ৰখাৰ সময়ত নিশাৰ আন্ধাৰত এনেদৰে আকাশী গংগাৰ পাৰৰ নিৰ্জন পথেৰে থানৰ অৰিহণাৰ মুদ্ৰা বিক্ৰী কৰা কাৰ্যই ৰাইজক স্তম্ভিত কৰিছে। ইতিমধ্যে এই সমগ্ৰ ঘটনা সন্দৰ্ভত বটদ্ৰৱাৰ স্থানীয় ৰাইজে আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। ইয়াৰ পূৰ্বে যোৱা ১৭ জুলাইতো থানৰ প্ৰণামী বাকচৰ ধন হৰলুকী কৰা বুলি ৰাইজে বটদ্ৰৱা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল।

## মৈৰাবাৰী কলেজত পথ সুৰক্ষা সজাগতা সভা

**ই-সংবাদ, মৈৰাবাৰী, ৬ অক্টোবৰঃ** ষ্টুডেন্ট কেডেট কৰ্পছৰ উদ্যোগত শনিবাৰে মৈৰাবাৰী মহাবিদ্যালয় আৰু ফ্ৰেণ্ডছ গ্ৰুপ ছ'চাইটিৰ সহযোগত মৈৰাবাৰী মহাবিদ্যালয় মুকলি মঞ্চত পথ সুৰক্ষা সজাগতা সভা সফলতাৰে সম্পন্ন হৈ যায়। উদ্দেশ্য ব্যাখ্যা কৰে এছ চি চিৰ অআসাংস্কৃতিক সম্পাদক উৎপল দাসে। পথ সুৰক্ষা সম্পৰ্কে তথ্য গধুৰ বক্তব্য ৰাখে এছ চি চিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইনে। সভাখনত মৰিগাঁও জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱজ্যোতি নাথ, মৈৰাবাৰী আৰক্ষী নিৰেশৰ আৰক্ষী বিষয়া পংকজ দাস, মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ ৰিয়াজুল হক, মৈৰাবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক মইদুল ইছলাম, অৱসৰপ্ৰাপ্ত শিক্ষক হিফজুৰ ৰহমানে পথ সুৰক্ষাৰ ওপৰত বক্তব্য আগবঢ়ায়। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি উত্তৰ পূব উদ্যোগ উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা ঝাৰখণ্ডৰ প্ৰাক্তন মন্ত্ৰী শৈলেন্দ্ৰ প্ৰতাপ সিঙে পথ সুৰক্ষা সম্পৰ্কে গুৰুত্ব পুৰ্ণ বক্তব্য ৰখাৰ লগতে নিচামুক্ত সমাজ,শিশু শ্ৰমিক মুক্ত সমাজ, যৌতুক, বাল্য বিবাহ আৰু ধৰ্ষণ মুক্ত সমাজ গঢ়িবলৈ সকলোকে মুকলি আহ্বান জনায়। অধ্যক্ষগৰাকীয়ে নিজ হাতেৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়াকৈ হেলমেট বিতৰণ কৰে। পথ সুৰক্ষা সজাগতা সভাখনত শিক্ষাৰ্থীসকলৰ মাজত টি শ্বাৰ্ট বিনামূলীয়াকৈ বিতৰণ কৰা হয়। এইধৰণৰ অনুষ্ঠানৰ আয়োজন কৰাত স্থানীয় সচেতন ৰাইজে ৰাজ্যিক শিক্ষামূলক স্বেচ্ছাসেৱী যুৱ ক্ৰীড়া বিষয়ক অনুষ্ঠান এছচিচিৰ সভাপতি ছাব্বিৰ হুছেইনক প্ৰশংসা কৰিছে।



তিনিচুকীয়া জিলাৰ অন্তৰ্গত ডুমডুমা সম-জিলাৰ আনুষ্ঠানিক উদ্বোধন শ্ৰমমন্ত্ৰী সঞ্জয় কিষানৰ, শনিবাৰে

## প্ৰাক্তন বিধায়ক টংকেশ্বৰ চেতিয়াৰ নামতিৰ বাসগৃহত চুৰিকাণ্ড

**ই-সংবাদ, আমগুৰি, ৬ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতি আৰক্ষী থানাৰ অন্তৰ্গত নাজিৰা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰয়াত টংকেশ্বৰ চেতিয়াৰ নামতিস্থিত বাসগৃহত চোৰে চাফাই অভিযান চলায়। আলমিৰা ভাঙি চোৰে লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰ নিয়া বুলি জানিব পৰা গৈছে। প্ৰাক্তন বিধায়ক প্ৰয়াত টংকেশ্বৰ চেতিয়াৰ পৰিয়ালৰ লোকসকল কিছুদিন পূৰ্বে ফুৰিবলৈ গৈছিল। ঘৰত কোনো লোক নথকাৰ সুযোগ গ্ৰহণ কৰি নিশা দুৱাৰ ভাঙি ঘৰৰ ভিতৰত প্ৰৱেশ কৰে চোৰ। ঘৰৰ ভিতৰত প্ৰৱেশ কৰি আলমিৰা ভাঙি লুটপাট চলাই সোণৰ গহনাৰ লগতে সোণৰ অলংকাৰ লৈ উধাও হয়। প্ৰতিবেশীয়ে নামতি আৰক্ষীক খবৰ দিয়াত পুৱাই নামতি আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। প্ৰতিবেশীয়ে গাঁওৰক্ষী বাহিনীৰ সহযোগত নামতি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ইতিমধ্যে এজাহাৰৰ ভিত্তিত নামতি আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত ১১/২০২৪ নম্বৰত গোচৰ পঞ্জীয়ন কৰিছে। প্ৰাক্তন বিধায়কৰ ঘৰত হোৱা চুৰি কাৰ্যই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# তিনিচুকীয়াৰ ৫৫,৭৯৫ কৃষকে পালে পিএম কিষাণৰ কিস্তি

**ই-সংবাদ, ডুমডুমা, ৬ অক্টোবৰঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ৫ অক্টোবৰত সমগ্ৰ দেশৰ লগতে তিনিচুকীয়া জিলাৰো যোগ্য কৃষক হিতাধিকাৰীৰ মাজত পিএম-কিষাণ আঁচনিৰ অধীনত অষ্টাদশ কিস্তিৰ অনুদান হস্তান্তৰ কৰে। মহাৰাষ্ট্ৰৰ ৱাছিমৰ পৰা ৱেব কাষ্টিঙৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰায় ৯.৪ কোটি যোগ্য হিতাধিকাৰী কৃষকৰ একাউন্টলৈ মুঠ প্ৰায় ২০ হাজাৰ কোটি টকা পোনপটীয়া হস্তান্তৰণ মাধ্যমৰ জৰিয়তে তেওঁলোকৰ বেংক একাউন্টত জমা কৰে। তিনিচুকীয়া জিলাৰ প্ৰায় ৫৫,৭৯৫ গৰাকী যোগ্য হিতাধিকাৰীৰ নিজ নিজ একাউন্টলৈ পোনপটীয়াকৈ সম্প্ৰচাৰিত অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিস্তিৰ ধন হস্তান্তৰ কৰে। এই উপলক্ষে তিনিচুকীয়া জিলা কৃষি বিভাগৰ উদ্যোগত কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাকক্ষত পুৱা ১১:৩০ বজাৰ পৰা কৃষকসকলৰ সুবিধাৰ্থে কেন্দ্ৰীয়ভাৱে এখন সভাৰ আয়োজন কৰাৰ লগতে প্ৰধানমন্ত্ৰীৰ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'য়। জিলা কৃষি বিষয়া দীপক মেনাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত সহ: কৃষি সঞ্চালক ৰজিত দত্ত আৰু সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী সকলৰ লগতে শতাধিক কৃষক ৰাইজে অংশগ্ৰহণ কৰে।

# মাধ্যম আন্দোলনৰ শ্বহীদক স্মৰণ খাৰুপেটীয়াৰ দল-সংগঠনৰ

**ই-সংবাদ, দলগাওঁ, ৬ অক্টোবৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি দৰং জিলাৰ খাৰুপেটীয়াতো মাধ্যম আন্দোলনৰ বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। খাৰুপেটীয়াৰ নিকটৱৰ্তী জঙ্গলপাৰাত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ দৰং জিলা সমিতি উদ্যোগত আৰু অসম চৰ চাপৰি সাহিত্য সভাৰ দৰং জিলা সমিতিৰ সহযোগত কালি ১৯৭২ চনৰ মাধ্যম আন্দোলনত অসমীয়া ভাষাৰ বিৰোধিতা কৰা অপ-শক্তি তথা দুষ্ট চক্ৰৰ হাতত চহিদ হোৱা জাতীয় ভাষা ছহিদ মোজাম্মীল হক,ওমৰ আলী আৰু জহুৰ আলীৰ ৫৩ সংখ্যক মৃত্যু দিৱসত সোঁৱৰণ কৰি স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। মোজাম্মিল হকক আছু তথা তেতিয়াৰ চৰকাৰে শ্বহীদ ঘোষণা কৰে যদিও বঞ্চিত হৈছিল খাৰুপেটীয়াৰ জহুৰ আলী আৰু ওমৰ আলী। পিছলৈ বিভিন্ন দল-সংগঠনৰ দাবীত ১৯৮৬ চনত সেই সময়ৰ অসম গণ পৰিষদ দলৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ছহিদ ওমৰ আলীক চৰকাৰী ভাৱে শ্বহীদ ঘোষণা কৰা হৈছিল। খাৰুপেটীয়া টাউনত হোৱা এই অসমীয়া ভাষা বিৰোধী দুষ্টচক্ৰৰ হাতত প্ৰাণ আহুতি দিয়া জহুৰ আলীক আজিলৈও চৰকাৰে শ্বহীদৰ মৰ্যদা নিদিয়াত সভাত উপস্থিত দল-সংগঠনে আক্ষেপ প্ৰকাশ কৰে। স্মৃতিচাৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা অসম চৰ চাপৰি সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক খবিৰ আহমেদ, অৱসৰী উপায়ুক্ত আব্দুৰ ৰহিম, গণ অধিকাৰ কাকতৰ কাৰ্যবাহী সম্পাদক ছাজাহান তালুকদাৰ, অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ মুখ্য উপদেষ্টা নাজিৰ হুছেইন সৰকাৰ, সভাপতি মহম্মদ খলিফা, চৰ চাপৰি সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মুক্তাৰুল ইছলাম প্ৰমুখ্যে কেবাজনো লোক উপস্থিত থাকি তিনিওগৰাকী জাতীয় শ্বহীদক সোঁৱৰণ কৰে। সভাত উপস্থিত সকলোৱে শ্বহীদসকলক চৰকাৰে চৰকাৰী স্বীকৃতি প্ৰদান কৰিবলৈ আহ্বান জনায়। ইফালে আজি খাৰুপেটীয়া দৰং জাতীয় বিদ্যালয়ত ছহিদ স্মৃতিৰক্ষা সমিতি খাৰুপেটীয়া শাখাৰ উদ্যোগত আৰু খাৰুপেটীয়া মিলনজ্যোতি স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত জাতীয় শ্বহীদ তিনিগৰাকীৰ সোঁৱৰণত আন এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। শ্বহীদ স্মৃতিৰক্ষা সমিতি খাৰুপেটীয়া শাখাৰ সভানেত্ৰী কুলচুম আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুখ্য অতিথি ৰূপে শ্বহীদ স্মৃতিৰক্ষা সমিতিৰ প্ৰধান সম্পাদক ইছমাইল হোছেইন, কাৰ্যকৰী সদস্য ডলী দাস, কল্পনা দত্ত, জ্যোৎস্নাৰাণী বেগম, ইউচুফ আলম চৌধুৰী, আমছুৰ কেন্দ্ৰীয় উপদেষ্টা আইনুদ্দিন আহমেদ,অৱসৰী সঞ্চালক মতলেব উদ্দিন আহমেদ, অৱসৰী শিক্ষক আবুল হুছেইন, মঞ্জুৰুল হক, অৱসৰী উচ্চবৰ্গ সহায়ক খন্দকাৰ দেলোৱাৰ হুছেইন প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি ১৯৭২ চনৰ মাধ্যম আন্দোলনত শ্বহীদসকলক স্মৰণ কৰি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। স্মৃতিচাৰণ সভাখনৰ বন্তি প্ৰজ্বলন কৰে খাৰুপেটীয়াৰ জ্যেষ্ঠ সাংবাদিক আতোৱাৰ ৰহমানে আৰু উদ্দেশ্য বাখ্যা কৰে শ্বহীদ স্মৃতিৰক্ষা সমিতি খাৰুপেটীয়া শাখাৰ সম্পাদক জাফৰ আলিয়ে। সভাখনৰ আঁত ধৰে খাৰুপেটীয়া মিলনজ্যোতি স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক ইমদাদুল ইছলাম আৰু শলাগৰ শৰাই আগবঢ়ায় সম্পাদক মইনুল হকে।

# মাজুলী মহাবিদ্যালয়ত মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে কাংকিন কে'বাং

**ই-সংবাদ, মাজুলী, ৬ অক্টোবৰঃ** মাজুলী মহাবিদ্যালয়ৰ মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ উদ্যোগত আৰু টি এম পি কে মাজুলী জিলাৰ সহযোগত আয়োজিত ২০২৪ বৰ্ষৰ নৱাগত আদৰণি সভা 'কাংকিন কে'বাং' আজি বিস্তৃত কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পিছতেই গছপুলি ৰোপণ কৰে মহাবিদ্যালয়ৰ অধ্যাপক দীনেশ পেগুৱে। পুৱা ৮ বজাত মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ সভাপতি দেৱজিৎ ৰেগনে পতাকা উত্তোলন কৰাৰ পিছতেই স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়ৰ টি এম পি কেৰ প্ৰাক্তন জিলা সভাপতি ৰাজু চিন্তেই। পুৱা ৯ বজাত মহাবিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰৰ পৰা আনুষ্ঠানিকভাৱে নৱাগতসকলক মহাবিদ্যালয়-প্ৰাংগণলৈ আদৰি অনা হয়। আজিৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ প্ৰাচীৰ পত্ৰিকা 'ললাদ' উন্মোচন কৰে স্থানীয় বোকাবিল গাঁৱৰ কাৰুশিল্পী অনন্ত পায়েঙে। ১১.৩০ বজাৰপৰা কেশৱৰাম বৰা প্ৰেক্ষাগৃহত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনি শুভাৰম্ভ কৰা হয় ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এটি সমবেত সংগীতেৰে। সভাখন উদ্বোধন কৰি বিশিষ্ট অনাতাঁৰ শিল্পী অমিয় কুমাৰ চিৰাঙে কয়, ছাত্ৰজীৱনৰ প্ৰতিটো পলৰ মূল্য উপলব্ধি কৰিব পৰাজনহে প্ৰকৃত বিদ্যাৰ্থী। সভাখনিত আদৰণি ভাষণ দিয়ে মাজুলী মহাবিদ্যালয় মিছিং ছাত্ৰ অধ্যয়ন চক্ৰৰ সম্পাদক শংকৰজ্যোতি দলেয়ে। ছাত্ৰ সুনীল দাও আৰু ছাত্ৰী মমী দলেয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মাজুলী ফুলনি-জকাইবোৱা সমষ্টিৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামেগামে শিক্ষাগুৰুসকলৰ নিৰ্দেশ মানি চলিলেহে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বতোপ্ৰকাৰ বৌদ্ধিক বিকাশ সম্ভৱ হ'ব বুলি মন্তব্য আগবঢ়ায়। সভাপতিৰ মন্তব্যত অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়, নিজ কৰ্তব্যৰ প্ৰতি শ্ৰদ্ধাৱান শিক্ষাৰ্থীসকলৰ জীৱন সুখেৰে ভৰা হ'বই। সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় বিশিষ্ট সমাজ সেৱক কিশোৰ গাম, সহকাৰী অধ্যাপক ডঃ ইন্দ্ৰনীল পেগু, দীনেশ পেগু আৰু নন্দী নৰহে। মানসজ্যোতি ৰেগন, ৰঞ্জন ৰেগন, শিক্ষাবিদ মনোজ্যোতি ৰেগন, প্ৰাক্তন শিক্ষাৰ্থী দিব্যজোতি মিলি, গৌৰীশংকৰ গাম, ৰামচন্দ্ৰ সাতোলা, প্ৰণৱজ্যোতি কাশ্যপ বৰা, টি এম পি কেৰ মহাবিদ্যালয় গোটৰ সভাপতি মনোজ পায়ুন, চিৰঞ্জিৎ ভূঞা, গৌৰৱ সেন আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থকা সভাৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে ছাত্ৰ হেমন্ত গামে। মুকলি সভাৰ পাছতে বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ বছা বছা মিছিং শিক্ষাৰ্থী-শিল্পীৰ দ্বাৰা পৰিৱেশিত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু সাজপাৰ প্ৰদৰ্শনী অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট সমাজ সেৱক বিতোপন দলেয়ে। সন্মানীয় অতিথি হিচাপে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকা সাংস্কৃতিক অনুষ্ঠানত বিশেষ আমন্ত্ৰিত অতিথি শিল্পী দীপাঞ্জলি পাংগিঙৰ লগতে লোকশিল্পী অমিয় কুমাৰ চিৰাং আৰু অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত বৰ্ণিল গীত-নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে।

## শেষ পৃষ্ঠা

# নৱজ্যোতিৰ জয়
# মৰিগাঁৱত ‘এ’ ডিভিজন ফুটবল লীগ

**ই-সংবাদ, মৰিগাঁও, ৬ অক্টোবৰঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত বিপুল সংখ্যক ফুটবল প্ৰেমী ৰাইজৰ ব্যাপক উৎসাহ উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হৈ থকা গুণেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণি 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত নৱজ্যোতি ক্লাবে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। আজিৰ প্ৰথম খেলখনত নৱজ্যোতি ক্লাৱৰ খেলুৱৈসকলে ছন্দবদ্ধ আৰু শক্তিশালী খেল প্ৰদৰ্শন কৰি অধিনায়ক মুস্তাক আহমেদৰ দুটাকৈ দৃষ্টিনন্দন গ’লৰ সহায়ত গড়মাৰী ৰাইনুজ ক্লাৱক ৬-১ গ’লৰ বৃহৎ ব্যৱধানত পৰাজিত কৰি গুৰুত্বপূৰ্ণ তিনি পইন্ট দখল কৰি ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা বৃদ্ধি কৰিছে। বিয়লিৰ ভাগত অনুষ্ঠিত দ্বিতীয়খন খেল ৰাণা ক্লাৱ আৰু ব’লব’ম ফুটবল ক্লাৱৰ মাজত গ’লশূন্যভাৱে অমীমাংসিত হোৱাত উভয় দলেই এক পইণ্টকৈ লাভ কৰে। আজিৰ খেল দুখন পৰিচালনা কৰে অসম ফুটবল সন্থাৰ স্বীকৃতি প্ৰাপ্ত ৰেফাৰী মিন্টু বৰদলৈ, আজিউল্লা খান, দ্বীপ পাতৰ আৰু নজৰুল ইছলামে।

# ব্ৰঞ্জ অৰ্জন ৰঙিয়াৰ দিয়া মেধিৰ



**ই-সংবাদ, ৰঙিয়া, ৬ অক্টোবৰঃ** অৰুণাচল প্ৰদেশৰ ইটানগৰত ৩ অক্টোবৰৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত হোৱা খেলো ইণ্ডিয়া অস্মিতা টাইকোৱাণ্ডো লিগত ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে ৰঙিয়াৰ দিয়া মেধি। প্ৰশিক্ষক ৰিংকু আহমেদৰ তত্বাৱধানত টাইকোৱাণ্ডোৰ প্ৰশিক্ষণ গ্ৰহণ কৰি অহা দিয়া মেধিয়ে ৬৮ কেজি শাখাত অসমক প্ৰতিনিধিত্ব কৰি ব্ৰঞ্জৰ পদক অৰ্জনৰে গৌৰৱ কঢ়িয়াই আনিছে।



বাংলাদেশৰ বিৰুদ্ধে প্ৰথম টি-২০ হাৰ্দিক পাণ্ডিয়াৰ আকৰ্ষণীয় শ্বট, গোৱালিয়ৰত দেওবাৰে

# বাংলাদেশৰ বিৰুদ্ধে প্ৰথম টি-২০ত জয়ী ভাৰত

**গোৱালিয়ৰ, ৬ অক্টোবৰঃ** গোৱালিয়ৰত ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হোৱা প্ৰথমখন টি-২০ মেচত টীম ইণ্ডিয়াই সুন্দৰ বিজয় সাব্যস্ত কৰে। ৪৯ টা বল বাকী থকা অৱস্থাত ১১.৫ অভাৰত ৩ টা উইকেট হেৰুৱাই বাংলাদেশে নিৰ্ধাৰণ কৰি দিয়া ১২৮ ৰানৰ লক্ষ্যত সহজেই উপনীত হয় টীম ইণ্ডিয়া। হাৰ্দিক পাণ্ডিয়াই সৰ্বাধিক ৩৯ ৰান সংগ্ৰহ কৰি মেচখন ছিক্সাৰেৰে অন্ত পেলায়। মেচখনত ভাৰতৰ হৈ আন্তঃৰাষ্ট্ৰীয় অভিষেক ঘটোৱা মায়ংক যাদৱেও প্ৰথম অভাৰ মেইডেন বলিং কৰি এক কৃতিত্ব অৰ্জন কৰে। এই কৃতিত্ব অৰ্জনকাৰী তৃতীয়জন ভাৰতীয় বলাৰ হিচাপে পৰিগণিত হয় মায়ংক। টছত জয়লাভ কৰি বাংলাদেশক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায় ঘৰুৱা দলটোৱে। বাংলাদেশে ভাৰতীয় বলিং আক্ৰমণত তিষ্ঠিব নোৱাৰি ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাথো ১২৮ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ মেহেন্দী হাছান মিৰাজে সৰ্বাধিক ৩৫ ৰান সংগ্ৰহ কৰে। তেওঁৰ উপৰিও অধিনায়ক নাজমুল হাছান শান্তো ২৭ ৰানেৰে দ্বিতীয় সৰ্বাধিক ৰান সংগ্ৰহকাৰী হিচাপে পৰিগণিত হয়। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে মাথো ৩ উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ হাৰ্দিয়াক পাণ্ডিয়াই ১৬ টা বলত ৩৯ ৰাণৰ বিস্ফোৰক ইনিংছ উপহাৰ দিয়ে। ভাৰতে প্ৰথম অভাৰৰ পৰাই আক্ৰমণাত্মকভাৱে খেলা দেখা গৈছিল আৰু অভিষেক শৰ্মাই দলটোক এক সুন্দৰ আৰম্ভণি দিছিল। কিন্তু, দ্বিতীয় অভাৰৰ শেষৰ বলত ১৬ ৰান সংগ্ৰহ কৰি ৰান আউট হয় অভিষেক শৰ্মা । ইয়াৰ পিছত ভাৰতীয় অধিনায়ক সূৰ্যকুমাৰ যাদৱ বেটিং কৰিবলৈ নিৰ্ধাৰিত পেভিলিয়নৰ পৰা ওলাই আহে। সূৰ্যই ইটোৰ পিছত সিটোকৈ ৩ টা বিশাল ছয় কোবাই ১৪ টা বলত ২৯ ৰানৰ ইনিংছ খেলে। ইয়াৰ পিছত আনটো মূৰ চম্ভালি থকা চেমচনেও ৬ টা চাৰিৰ সহায়ত ১৯ টা বলত ২৯ ৰান সংগ্ৰহ কৰি পেভিলিয়নলৈ উভতে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)